रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 1.] NEW DELHI, 24 DAY, MARCH 2014, 9 CHATRA, 1936, (SAKA) [Vol : 8**
**নং ১ ] নতুন দিল্লী, ২৪ দিন, মাৰ্চ ২০১৪, ৯ চ'ত, ১৯৩৬ (শক) [খণ্ড ঃ ৮**

Separate paging is given to this part in order that it may be filed as a separate compilation.

বিধি আৰু ন্যায় মন্ত্ৰালয়
( বিধান বিভাগ )

নতুন দিল্লী, ১৬ আগষ্ট, ২০১৩ /২৫ শাওন, ১৯৩৫ (শক)

(১) দি এডভ'কেট্চ ওৱেল-ফেয়াৰ ফাণ্ড এক্ট, ২০০১ (২০০১ৰ ৪৫)
(২) দি প্ৰ'টেক্শ্বন অভ প্লেণ্ট ভেৰাইটিচ এণ্ড ফাৰ্মাৰচ্ ৰাইট্চ এক্ট, ২০০১ (২০০১ৰ ৫৩)
(৩) দি হজ কমিটি এক্ট, ২০০২ (২০০২ৰ ৩৫)
(৪) দি বায়'লজিকেল ডাইভাৰ্চিটি এক্ট, ২০০২ (২০০৩ ৰ ১৮)
(৫) দি প্ৰ'তেক্শ্বন অভ ৱ'মেন ফ্ৰম ডমেচটিক ভায়অ'লেঞ্চ এক্ট, ২০০৫ (২০০৫ৰ ৪৩)
(৬) দি ডিজেচ্টাৰ মেনেজ্‌মেণ্ট এক্ট, ২০০৫ (২০০৫ৰ ৫৩)

নিম্নলিখিত অসমীয়া অনুবাদ এত দ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধিসমূহ) অধিনিয়ম, ১৯৭৩ ( ১৯৭৩ৰ ৫০ )ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হ'ব।

# MINISTRY OF LAW AND JUSTICE

## (Legislative Department)

New Delhi, Dated the 16th August, 2013/25, Sawan, 1935 (SAKA)
The Translations in Assamese of the following namely : -

1. The Advocates' Welfare Fund Ad, 2001(N0. 45 of 2001).
2. The Protection of Plant Varieties And Earmer's Right Act, 2001. (No. 53 of 2001)
3. The Haj Committee Act, 2002. (Act. No 35 of 2002)
4. The Biological Diversity Act, 2002. (Act No. 18 of 2003)
5. The Protection of Women from Domestic Violence Act, 2005 (Act No. 43 of 2005)
6. The Disaster Management Act, 2005. (No. 53 of 2005)

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts ( Central laws ) Act, 1973 ( 50 of 1973 ).

## জৈৱ বিবিধতা অধিনিয়ম, ২০০২

**জৈৱ বিবিধতাৰ অধিৰক্ষন, ইয়াৰ উপাদানৰ প্ৰমাণযোগ্য ব্যৱহাৰ আৰু জৈৱ সম্পদা, জ্ঞানৰ ব্যৱহাৰৰ পৰা উদ্ভৱ হোৱা লাভৰ উচিত আৰু সমতাযুক্ত অংশ লোৱাৰ বাবে আৰু ইয়াৰ সৈতে সম্পৰ্কিত বা ইয়াৰ আনুষঙ্গিক বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম ।**

যিহেতু ভাৰতবৰ্ষ জৈৱ বিবিধতাৰ আৰু ইয়াৰ সৈতে সম্পৰ্কিত সহযুক্ত পাৰম্পৰিক আৰু সমসাময়িক জ্ঞান ব্যৱস্থাত চহকী ;

আৰু যিহেতুকে ভাৰতবৰ্ষ, ১৯৯২ চনৰ ৫ জুন তাৰিখে ৰিও'ডিজেনেৰিঅ'ত, জৈৱ বিবিধতা স্বাক্ষৰিত হোৱা সংঘ ৰাজ্যক্ষেত্ৰৰ সন্মিলনত এটা পক্ষ হৈছে;

আৰু যিহেতুকে উক্ত সন্মিলনখন ১৯৯৩ৰ ২৯ ডিচেম্বৰত বলবৎ হৈছে ;

আৰু যিহেতুকে উক্ত সন্মিলনখনে তেওঁলোকৰ জৈৱ সম্পদাৰ ওপৰত ৰাজ্যসমূহৰ সাৰ্বভৌম অধিকাৰত পুনৰ প্ৰতিজ্ঞান কৰে ;

আৰু যিহেতুকে উক্ত সন্মিলনখনৰ জৈৱ বিবিধতাৰ অধিৰক্ষন, ইয়াৰ উপাদানৰ প্ৰমাণযোগ্য ব্যৱহাৰ আৰু জন্ম বিষয়ক সম্পদাৰ ব্যৱহাৰৰ পৰা উদ্ভৱ হোৱা লাভৰ উচিত আৰু সমতাযুক্ত অংশ লোৱাটো মূল বিষয়বস্তু হয় ;

আৰু যিহেতুকে অধিৰক্ষন, অবিৰত ব্যৱহাৰ আৰু জন্ম বিষয়ক সম্পদাৰ ব্যৱহাৰৰ পৰা উদ্ভৱ হোৱা লাভৰ সমতাযুক্ত অংশ লোৱাৰ আৰু উক্ত সন্মিলনক প্ৰভাৱী কৰাৰ বাবেও উপবন্ধ কৰিবলৈ ই প্ৰয়োজনীয় বুলি বিবেচিত হয় ।

ভাৰত গণৰাজ্যৰ ত্ৰিপঞ্চাশতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে ইয়াক অধিনিয়মিত কৰা হওঁক ঃ-

### অধ্যায়-I

### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ ।

১। (১) এই অধিনিয়মখন জৈৱ বিবিধতা অধিনিয়ম, ২০০২ বুলি অভিহিত হ'ব ।

(২) ই সমগ্ৰ ভাৰতবৰ্ষত বিস্তাৰিত হ'ব।

(৩) ই, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখত বলবৎ হব ঃ

পৰন্তু এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰে আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণ এনে কোনো উপবন্ধাৱলীত থকা কোনো প্ৰসঙ্গ নিৰ্দ্দেশ, এই উপবন্ধত বলবৎ হোৱা এটা প্ৰসঙ্গ নিৰ্দ্দেশৰূপে অৰ্থ হব ।

পৰিভাষা।

২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে -

(ক) ''হিত দাবীকৰ্ত্তা'' মানে জৈৱ সম্পদাৰ, সেইবোৰৰ উৎপাদিত বস্তুৰ অধিৰক্ষক, সৃষ্টিকৰ্ত্তা আৰু এনে জৈৱ সম্পদা, নৱ প্ৰৱৰ্ত্তনৰ ব্যৱহাৰ আৰু এনে ব্যৱহাৰ আৰু প্ৰয়োগত সহযুক্ত ব্যৱসায় সম্বন্ধিত জ্ঞান আৰু তথ্যৰ ধাৰক ;

(খ) ''জৈৱ বিবিধতা'' মানে সকলো উৎসৰ পৰা জীৱিত জীৱৰ মাজত থকা ৰূপভেদ আৰু বাস্তব্য বিদ্যাৰ জটিলতা যাৰ সেইবোৰ এটা উৎস হয় আৰু ই জাতিবোৰৰ মাজত বিবিধতা বা জাতি বা পৰিবেশ পদ্ধতিৰ মাজত থকা বিবিধতাকো অন্তৰ্ভুক্ত কৰে ;

(গ) ''জৈৱ সম্পদা'' মানে সংযন্ত্ৰ, জন্তু আৰু সুক্ষ্ম জীৱ বা ইয়াৰ অংশ, সেইবোৰৰ আনুবংশিক পদাৰ্থ আৰু প্ৰকৃত বা সম্ভাৱনীয় ব্যৱহাৰ বা মূল্যসহ (মূল্য যুক্ত উৎপাদকক বহিৰ্ভূত কৰি) আনুষঙ্গিক উৎপাদক, কিন্তু মানৱীয় আনুবংশিক পদাৰ্থ অন্তৰ্ভুক্ত নকৰে ;

(ঘ) ''জৈৱ জৰীপ আৰু জৈৱ ব্যৱহাৰিতা'' মানে প্ৰজাতি, উপ-প্ৰজাতি, জীন, উপাদান আৰু কোনো প্ৰয়োজনৰ বাবে জৈৱ উৎসৰ উদ্বৃত্ত জৰীপ বা সংগ্ৰহ আৰু ই চৰিত্ৰাঙ্কন, আৱিস্কাৰকৰণ আৰু আক্ষাপনক অন্তৰ্ভুক্ত কৰে ;

(ঙ) ''অধ্যক্ষ'' মানে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ বা যথাস্থিতি ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ অধ্যক্ষ ;

(চ) ''ব্যৱসায়িক ব্যৱহাৰ'' মানে আনুবংশিক হস্তক্ষেপৰ জৰিয়তে শস্য আৰু জীৱ জন্তু বিকাশৰ বাবে ব্যৱহৃত ঔষধ, উদ্যোগিক পাচক, খাদ্য, সুগন্ধি, গোন্ধ, প্ৰসাধন সামগ্ৰী, অৰদ্ৰৱ, উদ্ভিদক্ষৰিত তেল, ৰং উদবৃত্ত আৰু জীনৰ ব্যৱসায়িক ব্যৱহাৰৰ বাবে আনুবংশিক সম্পদাৰ অন্তিম ব্যৱহাৰ, কিন্তু ই কৃষি, উদ্যান, পোহনীয়া পক্ষী, দুগ্ধশালা, পশু প্ৰতিপালন বা মৌ পালনক অন্তৰ্ভুক্ত নকৰে ;

(ছ) ''উচিত আৰু সমতাযুক্ত লাভাংশ'' মানে ধাৰা ২১ৰ অধীনত ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দ্বাৰা নিৰ্দ্ধাৰিত হোৱা লাভাংশ ;

(জ) ''স্থানীয় নিকায়'' মানে সংবিধানৰ অনুচ্ছেদ ২৪৩ খ ৰ খণ্ড (১) আৰু ২৪৩ থ ৰ খণ্ড (১)ৰ অৰ্থৰ ভিতৰত যি নামেৰেই মতা হওঁক, পঞ্চায়ত বা পৌৰসভা আৰু কোনো পঞ্চায়ত বা পৌৰসভাৰ অৱৰ্তমানত সংবিধানৰ কোনো আন উপবন্ধ বা কোনো কেন্দ্ৰীয় অধিনিয়ম বা ৰাজ্যিক অধিনিয়মৰ অধীনত গঠিত স্বায়ত্বশাসিত চৰকাৰৰ প্ৰতিষ্ঠান ;

(ঝ) ''সদস্য'' মানে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ বা ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ এজন সদস্য আৰু ই, অধ্যক্ষক অন্তৰ্ভুক্ত কৰে ;

(ঞ) ''ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ'' মানে ধাৰা ৮ৰ অধীনত স্থাপিত ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ ;

(ট) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(ঠ) ''বিনিয়মাৱলী'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত বিনিয়মাৱলী ;

(ড) ''গৱেষণা'' মানে কোনো জৈৱ উৎস বা কাৰিকৰী প্ৰয়োগৰ অধ্যয়ন বা প্ৰণালীবদ্ধ অনুসন্ধান, যিবোৰে কোনো ব্যৱহাৰৰ বাবে উৎপাদক বা প্ৰক্ৰিয়া প্ৰণয়ন বা সংশোধন কৰিবলৈ তাত থকা জৈৱ প্ৰক্ৰিয়া, জীৱিত জীৱ বা উপজাতৰ ব্যৱহাৰ কৰে ;

(ঢ) ''ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ড'' মানে ধাৰা ২২ৰ অধীনত স্থাপিত ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ড ;

(ণ) ''প্ৰমাণযোগ্য ব্যৱহাৰ'' মানে এনে ৰীতিত আৰু এনে হাৰত জৈৱ বিবিধতাৰ উপাদানৰ ব্যৱহাৰ য'ত জৈৱ বিবিধতাৰ দীৰ্ঘকালীন পতন নোহোৱাকৈ বৰ্তমান আৰু ভৱিষ্যতৰ বংশৰ প্ৰয়োজন আৰু উচ্চাভিলাস পূৰণ কৰিবলৈ ইয়াৰ মৌলিকত্ব বজায় ৰাখিব পৰা যায় ;

(ত) ''মূল্য সংযোজিত উৎপাদিত বস্তু'' মানে উৎপাদিত বস্তু যিয়ে অচিনাকিয় আৰু শাৰিৰীকভাৱে অপৃথকনীয় আকাৰত কোনো গছ-গছনি বা জন্তুৰ অংশ বা উদ্বৃত্ত অন্তৰ্ভুক্ত কৰিব পাৰে ।

## অধ্যায়-II
## জৈৱ বিবিধতাত প্ৰবেশৰ বিনিয়ম

কেতবোৰ ব্যক্তিয়ে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ অনুমোদন বিনা জৈৱ বিবিধতা সম্বন্ধিত কাৰ্য্যকলাপ গ্ৰহণ নকৰিব ।

৩। (১) উপ-ধাৰা (২)ত নিৰ্দ্দেশিত কোনো ব্যক্তিয়ে, জৈৱ বিবিধতা প্ৰাধিকৰণৰ পূৰ্ব অনুমোদন নোহোৱাকৈ ভাৰতবৰ্ষত থকা কোনো জৈৱ উৎস বা গৱেষণাৰ বাবে বা ব্যৱসায়িক ব্যৱহাৰিতাৰ বাবে বা জৈৱ জৰীপ আৰু জৈৱ ব্যৱহাৰিতাৰ বাবে ইয়াৰ সৈতে জড়িত জ্ঞান লাভ নকৰিব ।

(২) উপ-ধাৰা (১)ৰ অধীনত ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ অনুমোদন লবলৈ অপেক্ষিত হোৱা ব্যক্তিসকল নিম্নানুসাৰে হ'ব অৰ্থাৎ -

(ক) এজন ব্যক্তি, যিজন ভাৰতীয় নাগৰিক নহয় ;

১৯৬১ৰ ৪৩

(খ) ভাৰতৰ এজন নাগৰিক, যিজন আয়কৰ অধিনিয়ম, ১৯৬১ৰ ধাৰা ২ৰ খণ্ড(৩০)ত পৰিভাষিত দৰে বাসিন্দা নহয় ;

(গ) এটা নিগম নিকায়, সংস্থা বা সংগঠন--

(i) ভাৰতবৰ্ষত নিগমিত নোহোৱা বা পঞ্জীভুক্ত নোহোৱা ; বা

(ii) তৎসময় বলবৎ হোৱা কোনো বিধিৰ অধীনত ভাৰতবৰ্ষত নিগমিত বা পঞ্জীভুক্ত, যিটোৰ ইয়াৰ অংশ মূলধন বা পৰিচালনাত কোনো অ-ভাৰতীয় অংশ আছে ।

কেতবোৰ ব্যক্তিলৈ ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ অনুমোদন বিনা কোনো গৱেষণাৰ ফল অন্তৰিত কৰা নহব। ১৯৬১ৰ ৪৩

৪। কোনো ব্যক্তিয়ে জৈৱ বিবিধতা প্ৰাধিকৰণৰ পূৰ্বৰ অনুমোদন বিনা, কোনো জৈৱ বিবিধতা উৎস থকা বা বিত্তীয় বিবেচনাৰ বাবে ভাৰতৰ পৰা লাভ কৰা বা অন্যথা সম্বন্ধিত কোনো গৱেষণাৰ ফলাফল কোনো ব্যক্তিক যিজন ভাৰতৰ নাগৰিক নহয় বা ভাৰতৰ নাগৰিক যিজন আয়কৰ অধিনিয়ম, ১৯৬১ৰ ধাৰা ২ৰ খণ্ড ৩০ত পৰিভাষিত দৰে বাসিন্দা নহয় বা কোনো নিগমিত নিকায় বা সংগঠন যিটো ভাৰতত পঞ্জীভুক্ত কৰা নাই বা নিগমিত কৰা নাই বা যিটোৰ অংশ মূলধন বা ব্যৱস্থাপনাত কোনো অভাৰতীয় সহযোগ আছে, অন্তৰণ কৰা নহব।

**স্পষ্টীকৰণ** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে, ''অন্তৰণে'' কোনো কোনো অধ্যয়ন চক্ৰ বা কৰ্মশালাত গৱেষণা কাগজ-পত্ৰ বা জ্ঞানৰ বিস্তাৰক অন্তৰ্ভুক্ত নকৰে, যদিহে এনে প্ৰকাশন কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰী কৰা মাৰ্গদৰ্শক ৰূপে হয়।

ধাৰা ৩ আৰু ৪ত কেতবোৰ সহযোগী মূলক গৱেষণা প্ৰকল্পলৈ প্ৰয়োগ নহব।

৫। (১) ধাৰা ৩ আৰু ৪ৰ উপৰন্ধাৱলী, ভাৰতবৰ্ষৰ চৰকাৰী প্ৰায়োজিত প্ৰতিষ্ঠান, আৰু আন দেশত থকা এনে প্ৰতিষ্ঠান, যদিহে এনে সহযোগীমূলক গৱেষনা প্ৰকল্পই, উপধাৰাত বিনিৰ্দিষ্ট কৰা চৰ্ত্তাৱলী সন্তুষ্ট কৰে, অন্তৰ্ভুক্ত কৰি প্ৰতিষ্ঠানসমূহৰ মাজত ইয়াৰ সৈতে সম্বন্ধিত জৈৱ উৎস বা তথ্যৰ অন্তৰণ বা বিনিয়োগ জড়িত থকা সহযোগীমূলক গৱেষণা প্ৰকল্পলৈ প্ৰযোজ্য নহব।

(২) উপ-ধাৰা (১)ত নিৰ্দ্দেশিতবোৰৰ ব্যতিৰেকে সকলো সহযোগীমূলক গৱেষণা প্ৰকল্প যিবোৰ এই অধিনিয়মৰ প্ৰাৰম্ভৰ পূৰ্বে সমাপ্ত আৰু বলবৎ থকা চুক্তিৰ ওপৰত ভিত্তি কৰা হয়, চুক্তিৰ উপৰন্ধাৱলীৰ বিস্তাৰলৈ এই অধিনিয়মৰ উপৰন্ধ অসঙ্গত হোৱা বা উপধাৰা (৩)ৰ খণ্ড (খ)ৰ অধীনত জাৰী কৰা কোনো মাৰ্গদৰ্শনলৈ নিৰৰ্থক হব।

(৩) উপ ধাৰা (১)ৰ প্ৰয়োজনাৰ্থে, সহযোগীমূলক গৱেষনা প্ৰকল্প,----

(ক) এই মৰ্ম্মে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰী কৰা আঁচনি মাৰ্গদৰ্শনলৈ অনুৰূপ হ'ব ।

(খ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদন কৰা হব।

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ অনুমোদন বিনা বুদ্ধিজীৱি সম্পত্তি অধিকাৰ প্ৰয়োগ কৰা নহব ।

৬। (১) কোনো ব্যক্তিয়ে, যি নামেৰেই কোৱা হওঁক, এনে প্ৰয়োগ কৰাৰ পূৰ্বে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ পূৰ্ব অনুমোদন লাভ নকৰাকৈ ভাৰতৰ পৰা প্ৰাপ্ত এটা জৈৱ বিবিধতা সম্পদাত কোনো গৱেষণা বা তথ্যৰ ভিত্তিত কোনো আৱিস্কাৰৰ বাবে ভাৰতবৰ্ষৰ বাহিৰত কোনো বুদ্ধিজীৱি সম্পত্তি অধিকাৰৰ প্ৰয়োগ নকৰিব ঃ

পৰন্তু যদিহে কোনো ব্যক্তিয়ে এটা পেটেন্টৰ বাবে আবেদন কৰে, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ অনুমতি, পেটেন্টৰ গ্ৰহণৰ পিছত লাভ কৰিব পাৰে কিন্তু সংশ্লিষ্ট পেটেন্ট প্ৰাধিকৰণৰ দ্বাৰা পেটেন্টৰ মোহৰ মৰাৰ পূৰ্বে নহয় ঃ

উপৰন্তু ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে সেইবোৰ গ্ৰহণৰ তাৰিখৰ পৰা নব্বৈ দিনৰ এটা অৱধিৰ ভিতৰত ইয়ালৈ দিয়া অনুমতিৰ আবেদনৰ নিষ্পত্তি কৰিব ।

(২) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে, এই ধাৰাৰ অধীনত অনুমতি মঞ্জুৰ কৰা সময়ত লাভ অংশীদাৰ মাচুল বা ৰাজকৰ বা উভয়কে আৰোপিত কৰিব পাৰে বা এনে অধিকাৰৰ বানিজ্যিক ব্যৱহাৰৰ পৰা উদ্ভৱ হোৱা বিত্তীয় লাভৰ অংশৰ অন্তৰ্ভুক্ত কৰি, চৰ্ত্তাৱলী আৰোপ কৰিব পাৰে ।

(৩) এই ধাৰাৰ উপৰন্ধাৱলী সংসদৰ দ্বাৰা অধিনিয়মিত কৰা বিভিন্ন উদ্ভিদ সংৰক্ষণ সম্বন্ধিত কোনো বিধিৰ অধীনত কোনো অধিকাৰৰ বাবে আবেদন কৰা কোনো ব্যক্তিলৈ প্ৰযোজ্য নহব ।

(৪) য'ত কোনো অধিকাৰ, উপধাৰা (৩)ত নিৰ্দেশিত বিধিৰ অধীনত মঞ্জুৰ কৰা হয়, এনে অধিকাৰ মঞ্জুৰ কৰা সংশ্লিষ্ট প্ৰাধিকৰণে, অধিকাৰ মঞ্জুৰ কৰা এনে দস্তাৱেজৰ এটা প্ৰতিলিপি ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণলৈ পৃষ্ঠাংকণ কৰিব ।

কেতবোৰ উদ্দেশ্যৰ বাবে জৈৱ উৎস লাভ কৰাৰ বাবে ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডলৈ পূৰ্ব জাননী ।

৭। কোনো ব্যক্তি যিজন ভাৰতৰ নাগৰিক হয় বা নিগমিত নিকায়, সন্থা, সংগঠন যিবোৰ ভাৰতত পঞ্জীভুক্ত কৰা হৈছে, সংশ্লিষ্ট ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডক পূৰ্ব জাননী দিয়াৰ ব্যতিৰেকে বাণিজ্যিক ব্যৱহাৰৰ বাবে কোনো জৈৱ বিবিধতা উৎস বা বাণিজ্যিক ব্যৱহাৰৰ বাবে জৈৱ জৰীপ আৰু জৈৱ ব্যৱহাৰিতা লাভ নকৰিব ঃ

পৰন্তু এই ধাৰাৰ উপবন্ধাৱলী, স্থানীয় লোক আৰু অঞ্চলৰ সম্প্ৰদায় জৈৱ বিবিধতাৰ উৎপাদক আৰু

কৃষক আৰু বৈদ্য আৰু হাকিমক অন্তৰ্ভুক্ত কৰি যিসকলে থলুৱা ঔষধ ব্যৱসায় কৰি আছে, প্ৰয়োগ নহব ।

## অধ্যায়-III

## ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ স্থাপন।

৮। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত, অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখৰ পৰা প্ৰভাৱীহোৱাকৈ, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয়চৰকাৰৰ দ্বাৰা ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ নামেৰে এটা নিকায় গঠন কৰিব।

(২) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণটো অস্থাৱৰ আৰু স্থাৱৰ উভয় সম্পত্তিৰ অধিগ্ৰহণ, ধাৰণ আৰু নিস্পত্তি কৰিবলৈ আৰু চুক্তি কৰিবলৈ ক্ষমতাসহ শ্বাশ্বত উত্তৰাধিকাৰ আৰু সাধাৰণ চাবমোহৰ থকা পূবেৰ্বাক্ত নামেৰে এটা নিগমিত নিকায় হব আৰু উক্ত নামেৰে বাদ কৰিব আৰু বাদ যুক্ত হ'ব ।

(৩) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ মুখ্য কাৰ্য্যালয় চেন্নাইত অৱস্থিত হব আৰু ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদন সহ ভাৰতবৰ্ষৰ আন স্থানবোৰত কাৰ্য্যালয়সমূহ স্থাপন কৰিব পাৰে ।

(৪) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ নিম্নলিখিত সদস্যৰে গঠন কৰা হ'ব, অৰ্থাৎ ঃ---

(ক) অধ্যক্ষ, যিজন জৈৱ বিবিধতাৰ সংৰক্ষণ আৰু গ্ৰহণযোগ্য ব্যৱহাৰ আৰু লাভৰ সমান অংশ থকা সম্বন্ধিত বিষয়বোৰত পৰ্য্যাপ্ত জ্ঞান আৰু অভিজ্ঞতা থকা উপযুক্ত ব্যক্তিক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত কৰা হ'ব।

(খ) তিনিজন পদেন সদস্যক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োগ কৰা হব, জনজাতি কাৰ্য্যকলাপৰ লগত জড়িত মন্ত্ৰালয়ক প্ৰতিনিধিত্ব কৰা এজন সদস্য আৰু পৰিৱেশ আৰু বন বিভাগৰ সৈতে জড়িত মন্ত্ৰালয়ক প্ৰতিনিধিত্ব কৰা দুজন সদস্য যাৰ ভিতৰত এজন বন বিভাগৰ অতিৰিক্ত মহানিৰ্দ্দেশক বা বন বিভাগৰ মহানিৰ্দ্দেশক হ'ব ।

(গ) সাতজন পদেন সদস্যক যথাক্ৰমে কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয়ক প্ৰতিনিধিত্ব কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োগ কৰা নিম্নলিখিতৰ বিষয়ৰ সৈতে জড়িত থাকিব--

(i) কৃষি বিষয়ক গৱেষণা আৰু শিক্ষা ;
(ii) জৈৱ কাৰিকৰী ;
(iii) মহাসমুদ্ৰ বিকাশ ;
(iv) কৃষি আৰু সহযোগ ;
(v) ভাৰতীয় ঔষধ আৰু হোমিওপ্যাথিৰ পদ্ধতি ;
(vi) বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞান ;
(vii) বৈজ্ঞানিক আৰু উদ্যোগিক গৱেষণা ;

(ঘ) জৈৱ বিবিধতাৰ অধিৰক্ষণ, জৈৱ সম্পদাৰ প্ৰমাণযোগ্য ব্যৱহাৰৰ আৰু জৈৱ উৎসৰ ব্যৱহাৰৰ পৰা উদ্ভৱ হোৱা লাভৰ সমান অংশীদাৰ সম্বন্ধিত বিষয়বোৰত বিশেষ জ্ঞান বা অভিজ্ঞতা থকা বিশেষজ্ঞ আৰু বৈজ্ঞানিক উদ্যোগিক প্ৰতিনিধি অধিৰক্ষক উৎপাদক জৈৱ সম্পদা বিষয়ৰ জ্ঞান ধাৰকৰ মাজৰ পৰা পাঁচজন বেচৰকাৰী সদস্যক নিয়োগ কৰা হ'ব ।

অধ্যক্ষ আৰু সদস্য সকলৰ সেৱাৰ চৰ্ত্তাৱলী।

৯ । ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ পদেন সদস্যৰ ভিন্ন অধ্যক্ষ আৰু আন সদস্যসমূহৰ কাৰ্য্যকাল আৰু সেৱাৰ চৰ্ত্তাৱলী কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এনে হ'ব ।

অধ্যক্ষ, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ মুখ্য কাৰ্য্যনিৰ্বাহক হব ।

১০ । অধ্যক্ষ, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ মুখ্য কাৰ্য্যনিৰ্বাহক হব আৰু বিহিত কৰা দৰে এনে ক্ষমতা প্ৰয়োগ কৰিব আৰু এনে কৰ্ত্তব্যসমূহ সম্পন্ন কৰিব ।

সদস্যসকলৰ অপসাৰণ ।

১১ । কেন্দ্ৰীয় চৰকাৰে, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ পৰা যিকোনো সদস্যক অপসাৰিত কৰিব পাৰে, যিজনে তেওঁৰ মতত,

(ক) দেউলীয়া ৰূপে ন্যায়নিৰ্ণীত হৈছে ; বা

(খ) নৈতিক অধমতা জড়িত হৈ থকা এটা অপৰাধত অভিযুক্ত হৈছে ; বা

(গ) এজন সদস্য ৰূপে কাৰ্য্য কৰিবলৈ শাৰিৰীক বা মানসিকতাৰে অক্ষম হয় ; বা

(ঘ) কাৰ্য্যালয়ত তেওঁ, তেওঁৰ পদৰ এনে অপব্যৱহাৰ কৰিছে যে তেওঁৰ কাৰ্য্যকালৰ নিৰন্তৰতাত ৰাখিলে ৰাজহুৱা স্বাৰ্থ হানি হব।

(ঙ) এজন সদস্যৰূপে তেওঁৰ কৃত্যসমূহত প্ৰতিকূল প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা থকা এনে বিত্তীয় বা আন স্বাৰ্থ অৰ্জন কৰিছে।

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ সভা।

১২। (১) বিহিত কৰা দৰে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে বিহিত কৰা দৰে এনে সময়ত আৰু স্থানত মিলিত হ'ব আৰু (ইয়াৰ সভাত থুল অন্তৰ্ভুক্ত কৰি) ইয়াৰ সভাত ব্যৱসায়ৰ সংব্যৱহাৰ সম্বন্ধিত প্ৰক্ৰিয়াৰ এনে নিয়মাৱলী পৰ্য্যবেক্ষণ কৰিব।

(২) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ অধ্যক্ষজনে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ সভাত সভাপতিত্ব কৰিব।

(৩) যদিহেকোনো কাৰণত অধ্যক্ষজনে, জৈৱ বিবিধতা প্ৰাধিকৰণৰ কোনো সভাত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, সভাত উপস্থিত থকা সদস্যসমূহৰ দ্বাৰা নিৰ্বাচিত কৰা ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ কোনো সদস্যই সভাত সভপতিত্ব কৰিব।

(৪) জৈৱ বিবিধতা প্ৰাধিকৰণৰ সভাৰ আগত থকা সকলো প্ৰশ্ন, উপস্থিত সদস্যসমূহৰ সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা আৰু ভোটদান কৰি বিনিশ্চিত কৰা হ'ব আৰু সমান ভোটৰ ক্ষেত্ৰত, অধ্যক্ষজনৰ বা, তেওঁৰ অনুপস্থিতিত সভাপতিত্ব কৰা ব্যক্তিজনৰ দ্বিতীয় বা নিৰ্ণায়ক ভোট থাকিব আৰু কাৰ্য্যকৰী কৰিব।

(৫) প্ৰত্যেক সদস্যই, যিজন যিকোনো ক্ষেত্ৰত, অধিৱেশনত বিনিশ্চিত হবলগীয়া কোনো বিষয়ত প্ৰত্যক্ষভাৱে, পৰোক্ষভাৱে বা ব্যক্তিগত ভাৱে সংশ্লিষ্ট বা স্বাৰ্থজড়িত তেওঁৰলেনদেন বা স্বাৰ্থৰ প্ৰকৃতি প্ৰকট কৰিব আৰু এনে প্ৰকটকৰণৰ পিছত সংশ্লিষ্টবা স্বাৰ্থজড়িত সদস্যই সেই সভাত উপস্থিত নাথাকিব।

(৬) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী কেৱল নিম্নলিখিত কাৰণসমূহৰ দ্বাৰা অবিধিমান্য নহব -

(ক) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ গঠনত থকা কোনো পদৰিক্তি বা কোনো ক্ৰটী ; বা

(খ) এজন সদস্যৰূপে কাৰ্য্য কৰা ব্যক্তিৰ নিযুক্তিত থকা কোনো ক্ৰটী ; বা

(গ) গোচৰৰ গুণাগুণক প্ৰভাৱিত নকৰা ৰাষ্ট্ৰীয়জৈৱ বিবিধতা প্ৰাধিকৰণৰ প্ৰক্ৰিয়াত থকা কোনো অনিয়মতা।

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ সমিতি সমূহ।

১৩। ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে কৃষি জৈৱ বিবিধতাৰ সংব্যৱহাৰ কৰিবলৈ এখন সমিতি গঠন কৰিব পাৰে।

**স্পষ্টীকৰণ** - এই উপ-ধাৰাৰ প্ৰয়োজনাৰ্থে 'কৃষি জৈৱ বিবিধতা' মানে কৃষি জৈৱ বিবিধতা সম্বন্ধিত প্ৰজাতি আৰু সেইবোৰৰ বন্য সম্বন্ধীয়বোৰ।

(২) উপ-ধাৰা (১)ৰ উপৰন্ধাৱলীত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে এই অধিনিয়মৰ অধীনত ইয়াৰ কৰ্ত্তব্যসমূহৰ সুদক্ষ নিৰ্বহন আৰু ইয়াৰ কৃত্যসমূহৰ সম্পাদনৰ বাবে ই উচিত বুলি ভবা দৰে, এনে সংখ্যক সমিতি গঠন কৰিব পাৰে।

(৩) এই ধাৰাৰ অধীনত গঠিত এখন সমিতিয়ে, ই উচিত বুলি ভবা দৰে, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ সদস্য নোহোৱা এনে সংখ্যক ব্যক্তিক সহযোজিত কৰিব আৰু এনেদৰে সহযোজিত হোৱা ব্যক্তিসমূহৰ সমিতিৰ সভাসমূহত উপস্থিত থকাৰ আৰু ইয়াৰ কাৰ্য্যবাহীত অংশগ্ৰহণ কৰিবলৈ অধিকাৰ থাকিব কিন্তু ভোট দিয়াৰ অধিকাৰ নাথাকিব।

(৪) উপ-ধাৰা (২)ৰ অধীনত সমিতিৰ সদস্যৰূপে নিযুক্ত ব্যক্তিৰ, কেন্দ্ৰীয় চৰকাৰে ধাৰ্য্য কৰাৰ দৰে সমিতিৰ সভাত উপস্থিত থকাৰ বাবে এনে ভাট্টা বা মাচুল গ্ৰহণ কৰিবলৈ হ'কদাৰ হ'ব।

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ।

১৪। (১) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ সুদক্ষ নিৰ্বহনৰ বাবে, ই আৱশ্যক বিবেচনা কৰা দৰে, এনে পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দক নিয়োগ কৰিব পাৰে।

(২) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ এনে পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ পদাৱধি আৰু সেৱাৰ চৰ্ত্তাৱলী বিনিয়মসমূহৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰাৰ দৰে এনে হ'ব।

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ আদেশ আৰু বিনিশ্চয়ৰ অধিপ্ৰমানীকৰণ।

১৫। ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ সকলো আদেশ আৰু বিনিশ্চয়, এই মৰ্ম্মে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দ্বাৰা প্ৰাধিকৃত অধ্যক্ষ বা কোনো আন সদস্যৰ হস্তাক্ষৰৰ দ্বাৰা অধিপ্ৰমাণীত কৰা হ'ব আৰু ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দ্বাৰা নিষ্পাদিত আন সকলো লেখ্য এই মৰ্ম্মে ইয়াৰ দ্বাৰা প্ৰাধিকৃত জৈৱ বিবিধতা প্ৰাধিকৰণৰ এজন পদাধিকাৰীৰ হস্তাক্ষৰৰ দ্বাৰা অধিপ্ৰমাণীত কৰা হ'ব।

ক্ষমতাৰ অধিৰোপন

১৬। ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে, লিখিতভাৱে সাধাৰণ বা বিশেষাদেশৰ দ্বাৰা (ধাৰা৫০ৰ অধীনত এটা আপীল কৰিবলৈ ক্ষমতা আৰু ধাৰা ৬৪ৰ অধীনত বিনিয়মাৱলী প্ৰণয়ন কৰিবলৈ ক্ষমতাৰ ব্যতিৰেকে) এই অধিনিয়মৰ অধীনত এনে ক্ষমতা আৰু কৃত্য, আদেশত বিনিৰ্দ্দিষ্ট কৰা দৰে, যদি কিবা থাকে, এনে চৰ্ত্তাৱলীৰ সাপেক্ষে, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ কোনো সদস্য, পদাধিকাৰী বা কোনো আন ব্যক্তিক অধিৰোপিত কৰিব পাৰে যদিৰে ই আৱশ্যক গণ্য কৰে।

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ খৰচ ভাৰতৰ একীকৃত নিধিৰ পৰা আদায় কৰা হব।

১৭। সদস্যসমূহলৈ দেয় বেতন আৰু ভাট্টাসমূহ আৰু ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দলৈ বা সেইবোৰৰ ক্ষেত্ৰত দেয় বেতন, ভাট্টা আৰু পেঞ্চন অৰ্ন্তভুক্ত কৰি ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ প্ৰশাসনীয় খৰচসমূহ ভাৰতৰ একীকৃত নিধিৰ পৰা আদায় কৰা হ'ব।

## অধ্যায়-IV

## ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ কৃত্য আৰু ক্ষমতা

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ কৃত্য আৰু ক্ষমতা।

১৮।(১) ধাৰা ৩, ৪ আৰু ৬ত নিৰ্দেশিত কাৰ্য্যকলাপ বিনিয়মিত কৰাটো ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দায়িত্বৰ হ'ব আৰু বিনিয়মাৱলীৰ দ্বাৰা জৈৱ বিবিধতা সম্পদাত প্ৰৱেশ কৰিবলৈ আৰু উচিত আৰু সমান লাভৰ অংশৰ বাবে মাৰ্গদৰ্শন কৰাৰ দায়িত্ব থাকিব।

(২) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে ধাৰা ৩, ৪ আৰু ৬ত নিৰ্দেশিত কোনো কাৰ্য্যকলাপ হাতত লোৱাৰ বাবে অনুমোদন মঞ্জুৰ কৰিব পাৰে।

(৩) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে-

(ক) জৈৱ বিবিধতাৰ অধিৰক্ষণ, ইয়াৰ উপাদানৰ সমৰ্থন যোগ্য ব্যৱহাৰ আৰু জৈৱ বিবিধতাৰ সম্পদাৰ ব্যৱহাৰৰ পৰা উদ্ভৱ হোৱা লাভালাভৰ সমান অংশীদাৰ সম্বন্ধিত বিষয়সমূহৰ ওপৰত কেন্দ্ৰীয় চৰকাৰক উপদেশ দিব পাৰে ;

(খ) এনে পৰম্পৰা স্থানৰ পৰিচালনাৰ বাবে ঐতিহ্য স্থান আৰু ব্যৱস্থা ৰূপে ধাৰা ৩৭ উপ-ধাৰা (১)ৰ অধীনত অধিসূচিত হবলগীয়া জৈৱ বিবিধতাৰ গুৰুত্ব থকা অঞ্চলৰ বাচনিত ৰাজ্য চৰকাৰক উপদেশ দিব পাৰে ;

(গ) এই অধিনিয়মৰ উপৰন্ধাৱলী সম্পন্ন কৰিবলৈ আৱশ্যক হোৱা এনে আন কৃত্যসমূহ সম্পাদন কৰিব পাৰে।

(৪) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে কেন্দ্ৰীয় চৰকাৰৰ হকে ভাৰতৰ পৰা পোৱা কোনো জৈৱ বিবিধতাৰ সম্পদাৰ সৈতে জড়িত জ্ঞান, যি ভাৰতৰ পৰা আহৰণ কৰা হৈছে, কোনো জৈৱ বিবিধতা সম্পদাৰ ভাৰতবৰ্ষৰ বাহিৰৰ কোনো দেশত বুদ্ধিজীৱিয়ে সম্পত্তি অধিকাৰৰ মঞ্জুৰীৰ বিৰোধিতা কৰিবলৈ আৱশ্যক হোৱা যি কোনো ব্যৱস্থা লব পাৰে।

## অধ্যায়-V

## ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দ্বাৰা দিয়া অনুমোদন

কেতবোৰ কাৰ্য্যকলাপ হাতত লোৱা বাবে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দ্বাৰা অনুমোদন।

১৯। (১) ধাৰা ৩ৰ উপ-ধাৰা (২)ত নিৰ্দ্দেশিত কোনো ব্যক্তি, যিয়ে ভাৰতবৰ্ষত থকা কোনো জৈৱ বিবিধতা সম্পদা পাবলৈ অভিপ্ৰায় কৰে বা গৱেষণাৰ বাবে ব্যৱসায়িক ব্যৱহাৰৰ বাবে বা জৈৱ জৰীপ আৰু জৈৱ ব্যৱহাৰৰ বাবে ইয়াৰ সৈতে জড়িত জ্ঞান লাভ কৰিবলৈ অভিপ্ৰায় কৰে বা ভাৰতবৰ্ষত থকা বা ভাৰতবৰ্ষৰ পৰা প্ৰাপ্ত জৈৱ বিবিধতা সম্পদাৰ লগত জড়িত কোনো গৱেষণাৰ ফলাফলৰ অন্তৰণ কৰে, তেওঁ এনে প্ৰপত্ৰত আবেদন কৰিব আৰু ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণলৈ বিহিত কৰা দৰে এনে মাচুল আদায় দিব।

(২) কোনো ব্যক্তি যিজনে ধাৰা ৬ৰ উপ-ধাৰা (১)ত নিৰ্দ্দেশিত ভাৰতবৰ্ষৰ ভিতৰত হওঁক বা বাহিৰতেই হওঁক এটা পেটেণ্ট বা বৌদ্ধিক সম্পত্তি সুৰক্ষাৰ কোনো আন প্ৰপত্ৰৰ বাবে আবেদন কৰিবলৈ অভিপ্ৰায় কৰে, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণলৈ বিহিত কৰা ধৰণে এনে প্ৰপত্ৰ আৰু এনে ৰীতিত এখন আবেদন কৰিব পাৰে।

(৩) উপ-ধাৰা (১) বা উপ-ধাৰা (২)ৰ অধীনত এখন আবেদনৰ প্ৰাপ্তিত, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে, ই উচিত গণ্য কৰা দৰে এনে তদন্তকৰাৰ পিছত আৰু এনে প্ৰয়োজনাৰ্থে গঠিত হোৱা এখন দক্ষ সমিতিৰ পৰামৰ্শ লোৱাৰ পিছত, যদিহে আৱশ্যক হয়, আদেশৰ দ্বাৰা, এই মৰ্মে প্ৰণীত কোনো বিনিয়মনৰ সাপেক্ষে অনুমোদন জনাব পাৰে আৰু অধিকাৰ শুল্কৰ মাধ্যমেৰে দায়িত্ব আৰোপনক অৰ্ন্তভুক্ত কৰি বা লিখিত ৰূপে অভিলেখিত কৰিবলগীয়া কাৰণসমূহৰ বাবে, ই উচিত গণ্য কৰা দৰে এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ সাপেক্ষে আবেদন অগ্ৰাহ্য কৰিব পাৰে ঃ

পৰন্তু প্ৰভাৱিত ব্যক্তিজনক শুনানীৰ এটা সুযোগ নিদিয়াকৈ অগ্ৰাহ্যৰ বাবে কোনো আদেশ কৰা নহব।

(৪) ৰাষ্ট্ৰীয়জৈৱ বিবিধতা প্ৰাধিকৰণে এই ধাৰাৰ অধীনত ইয়াৰ দ্বাৰা মঞ্জুৰ কৰা প্ৰত্যেক অনুমোদনৰ এখন ৰাজহুৱা জাননী দিব।

জৈৱ সম্পদা বা জ্ঞানৰ অন্তৰণ।

২০। (১) কোনো ব্যক্তিয়ে যিজনক ধাৰা ১৯ৰ অধীনত অনুমোদন মঞ্জুৰ কৰা হৈছে, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ অনুজ্ঞা ব্যতিৰেকে উক্ত অনুমোদনৰ বিষয়বস্তুৰ সৈতে জড়িত কোনো জৈৱ সম্পদা বা জ্ঞানৰ অন্তৰণ নকৰিব।

(২) কোনো ব্যক্তি, যিজনে উপ-ধাৰা (১)ত নিৰ্দ্দেশিতসমূহৰ সৈতে জড়িত কোনো জৈৱ সম্পদা বা জ্ঞানৰ অন্তৰণ কৰিবলৈ অভিপ্ৰায় কৰে, জৈৱ বিবিধতা প্ৰাধিকৰণলৈ বিহিত কৰা দৰে এনে প্ৰ-পত্ৰত আৰু এনে ৰীতিত আবেদন কৰিব।

(৩) উপ-ধাৰা (২)ৰ অধীনত এখন আবেদনৰ প্ৰাপ্তিত ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে, ই উচিত গণ্য কৰা দৰে এনে তদন্ত কৰাৰ পিছত আৰু ইয়াৰ এনে প্ৰয়োজনাৰ্থে গঠিত হোৱা এখন দক্ষ সমিতিৰ পৰামৰ্শ লোৱাৰ পাছত যদিহে আৱশ্যক হয়, আদেশৰ দ্বাৰা, অধিকাৰ শুল্কৰ মাধ্যমেৰে দায়িত্ব আৰোপন অন্তৰ্ভুক্ত কৰি বা লিখিত ৰূপে অভিলেখিত কৰিবলগীয়া কাৰণসমূহৰ বাবে ই উচিত গণ্য কৰাৰ দৰে এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ সাপেক্ষে আবেদন অগ্ৰাহ্য কৰিব পাৰে ঃ

পৰন্তু প্ৰভাৱিত ব্যক্তিজনক শুনানীৰ এটা সুযোগ নিদিয়াকৈ অগ্ৰাহ্যকৰণৰ এনে কোনো আদেশ দিয়া নহব।

(৪) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে, এই ধাৰাৰ অধীনত ইয়াৰ দ্বাৰা মঞ্জুৰ কৰা প্ৰত্যেক অনুমোদনৰ এখন ৰাজহুৱা জাননী দিব।

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দ্বাৰা ভগাই লোৱা সমতাযুক্ত লাভৰ নিৰ্দ্ধাৰণ।

২১। ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে ধাৰা ১৯ বা ধাৰা ২০ৰ অধীনত অনুমোদন মঞ্জুৰ কৰা সময়ত সুনিশ্চিত কৰিবলৈ নিবন্ধন আৰু চৰ্ত্তাৱলী যিবোৰৰ সাপেক্ষে অনুমোদন মঞ্জুৰ কৰা হৈছে অতিৰিক্ত জৈৱ সম্পদাৰ ব্যৱহাৰৰ পৰা উদ্ভৱ হোৱা হিত ভগাই লোৱা সমতাযুক্ত লাভ, সেইবোৰৰ উপ-উৎপাদন, সেইবোৰৰ ব্যৱহাৰ আৰু প্ৰয়োগৰ সৈতে জড়িত সংস্কাৰ আৰু ব্যৱসায়, এনে অনুমোদনৰ বাবে আবেদন কৰা ব্যক্তিৰ মাজত পাৰস্পৰিকভাৱে সম্মতি প্ৰাপ্ত নিৰ্বন্ধন আৰু চৰ্ত্তাৱলীৰ অনুসৰণ, ইয়াৰ সৈতে জড়িত জ্ঞান, সংশ্লিষ্ট স্থানীয় নিকায় আৰু লাভ দাবী কৰ্ত্তাক সুনিশ্চিত কৰিব।

(২) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে, এই মৰ্ম্মে প্ৰণীত কোনো বিনিয়মৰ সাপেক্ষে ভগাই লোৱা লাভ নিৰ্দ্ধাৰণ কৰিব যিয়ে নিম্নলিখিত ৰীতিৰ সকলো বা যিকোনোটোক প্ৰভাৱিত কৰিব, অৰ্থাৎ ঃ-

(ক) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ বুদ্ধিজীৱি সম্পত্তি অধিকাৰৰ যৌথ মালিকীস্বত্বৰ মঞ্জুৰকৰণ, বা য'ত লাভ দাবীকৰ্ত্তাৰ এনে লাভ দাবীকৰ্ত্তাৰ্লৈ চিনাক্ত কৰা হৈছে ;

(খ) কাৰিকৰী জ্ঞানৰ অন্তৰণ ;

(গ) এনে অঞ্চলত উৎপাদন, গৱেষণা আৰু উন্নয়ন গোটৰ স্থান যিয়ে, লাভ দাবীকৰ্ত্তাৰ উন্নত মানৰ জীৱনৰ সুবিধা দিব ;

(ঘ) জৈৱ সম্পদা আৰু জৈৱ জৰীপ আৰু জৈৱ ব্যৱহাৰত গৱেষণা আৰু বিকাশ সহ ভাৰতীয় বৈজ্ঞানিক সংস্থা লাভ দাবীকৰ্ত্তা আৰু স্থানীয় লোক ;

(ঙ) লাভ দাবীকৰ্ত্তাৰ সহায়তা কৰিবলৈ সংকটাপূৰ্ণ মূলধন নিধিৰ স্থাপন ;

(চ) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে উচিত গণ্য কৰা দৰে লাভ দাবীকৰ্ত্তালৈ আৰ্থিক ক্ষতিপূৰণ আৰু আন অনা-আৰ্থিক আদায়কৰণ ;

(৩) য'ত কোনো ধনৰ পৰিমাণ লাভ বন্টনৰ ব্যৱস্থাৰে আদেশ দিয়া হয়, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে এনে ধনৰাশি ৰাষ্ট্ৰীয় জৈৱ বিবিধতা নিধিত জমা দিবলৈ নিৰ্দ্দেশ দিব পাৰে ঃ

পৰন্তু, য'ত জৈৱ সম্পদা বা জ্ঞান, বিনিৰ্দ্দিষ্ট ব্যক্তি বা ব্যক্তিৰ শ্ৰেণী বা সংগঠনৰ অতিৰিক্ত পৰিমাণ হয়, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে নিৰ্দ্দেশ দিব পাৰে যে ধনৰাশি কোনো চুক্তিৰ চৰ্ত্ত অনুসাৰে বা এনে ৰীতিত এনে ব্যক্তিক বা ব্যক্তি সমষ্টিক বা সংগঠনক আদায় দিয়া হব যিদৰে ই উচিত গণ্য কৰে।

(৪) এই ধাৰাৰ প্ৰয়োজনাৰ্থে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে কেন্দ্ৰীয় চৰকাৰৰ সৈতে পৰামৰ্শ কৰি বিনিয়মাৱলীৰ দ্বাৰা মাৰ্গদৰ্শন ৰচনা কৰিব।

## অধ্যায়-VI
## ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ স্থাপন

ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ স্থাপন।

২২। (১) ৰাজ্য চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে সেই চৰকাৰৰ দ্বাৰা - (ৰাজ্যখনৰ নাম) জৈৱ বিবিধতা বোৰ্ড নামেৰে ৰাজ্যৰ বাবে এখন বোৰ্ড স্থাপন কৰিব।

(২) এই ধাৰাত কোনো কথা থকা স্বত্বেও, কোনো ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ড, এখন সংঘ ৰাজ্যক্ষেত্ৰৰ বাবে গঠন কৰা নহ'ব আৰু এখন সংঘ ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে সেই সংঘ ৰাজ্যক্ষেত্ৰৰ বাবে ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ ক্ষমতাৱলী কাৰ্য্যকৰী কৰিব আৰু কৃত্যসমূহ সম্পাদন কৰিব ঃ

পৰন্তু কোনো সংঘ ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে, এই উপ-ধাৰাৰ অধীনত ইয়াৰ সকলো বা যিকোনো ক্ষমতাৱলী বা কৃত্যসমূহ কেন্দ্ৰীয় চৰকাৰে বিনিৰ্দ্দিষ্ট কৰা দৰে এনে ব্যক্তি বা ব্যক্তি বৰ্গলৈ আৰোপ কৰিব পাৰে।

(৩) বোৰ্ডখন, অস্থাৱৰ আৰু স্থাৱৰ উভয় সম্পত্তিৰ অৰ্জন, ধাৰণ আৰু নিষ্পত্তিকৰণ বা সংবিদা কৰাৰ ক্ষমতা সহ, শ্বাশ্বত উত্তৰাধিকাৰ আৰু সাধাৰণ চাবমোহৰ থকা উক্ত নামেৰে এটা ব্যক্তি নিকায় হব, আৰু উক্ত নামেৰে বাদ ক ৰিব আৰু বাদযুক্ত হব।

(৪) বোৰ্ডখন নিম্নলিখিত সদস্যৰে গঠন কৰা হব, অৰ্থাৎ ঃ-

(ক) অধ্যক্ষক, জৈৱ বিবিধতাৰ অধিৰক্ষণ আৰু প্ৰমাণীকৃত ব্যৱহাৰত আৰু ভগাই লোৱা সমতাযুক্ত সম্বন্ধীয় বিষয়বোৰত পৰ্য্যাপ্ত জ্ঞান আৰু অভিজ্ঞতা থকা এজন বিখ্যাত ব্যক্তিক ৰাজ্য চৰকাৰৰ দ্বাৰা তেওঁক অধ্যক্ষ নিয়োগ কৰা হ'ব ;

(খ) ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগক প্ৰতিনিধিত্ব কৰিবলৈ পাঁচজনৰ অনধিক পদেন সদস্যক ৰাজ্য চৰকাৰৰ দ্বাৰা নিয়োগ কৰা হ'ব ;

(গ) জৈৱ বিবিধতাৰ অধিৰক্ষণ, জৈৱ গৱেষণাৰ প্ৰমাণীকৃত ব্যৱহাৰ আৰু জৈৱ গৱেষণাৰ ব্যৱহাৰৰ পৰা উদ্ভৱ হোৱা ভগাই লোৱা সমতাযুক্ত লাভ সম্পৰ্কিত বিষয়বোৰত থকা বিশেষজ্ঞসকলৰ মাজৰ পৰা পাঁচজন সদস্যৰ অনধিক সদস্যক নিয়োগ কৰা হব।

(৫) ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ মুখ্য কাৰ্য্যালয়টো এনে স্থানত হব যিদৰে, ৰাজ্য চৰকাৰৰ দ্বাৰা চৰকাৰী ৰাজপত্ৰত অধিসূচনা দ্বাৰা বিনিৰ্দ্দিষ্ট কৰে।

ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ কৃত্যসমূহ।

২৩। ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ, কৃত্যসমূহ হব -

(ক) কেন্দ্ৰীয় চৰকাৰে জাৰী কৰা কোনো মাৰ্গদৰ্শনৰ সাপেক্ষে, জৈৱ বিবিধতাৰ অধিৰক্ষন, ইয়াৰ উপাদানৰ প্ৰমাণীকৃত ব্যৱহাৰ আৰু জৈৱ সম্পদা ব্যৱহাৰৰ পৰা উদ্ভৱ হোৱা ভগাই লোৱা সমতাযুক্ত লাভৰ সম্বন্ধিত বিষয়বোৰৰ ওপৰত ৰাজ্য চৰকাৰক উপদেশ দিয়া ;

(খ) ভাৰতীয়ৰ দ্বাৰা ব্যৱসায়িক ব্যৱহাৰ বা জৈৱ জৰীপ আৰু কোনো জৈৱ সম্পদাৰ জৈৱ ব্যৱহাৰৰ বাবে অনুমোদন মঞ্জুৰীৰ দ্বাৰা বা অন্যথা অনুৰোধৰ দ্বাৰা বিনিয়মিত কৰা ;

(গ) এই অধিনিয়মৰ উপৱন্ধাৱলী কাৰ্য্যকৰী কৰিবলৈ আৱশ্যক হোৱাৰ দৰে বা ৰাজ্য চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে আন কৃত্যসমূহ সম্পাদন কৰা ।

ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ অধিৰক্ষণ ইত্যাদিৰ বিষয়বস্ত উলংঘন কৰা কেতবোৰ কাৰ্য্যকলাপ নিয়ন্ত্ৰন কৰিবলৈ ক্ষমতা ।

২৪। (১) ধাৰা ৭ত নিৰ্দ্দিশিত কোনো কাৰ্য্যকলাপ গ্ৰহণ কৰিবলৈ অভিপ্ৰেত কৰা ভাৰতবৰ্ষৰ কোনো নাগৰিক বা ভাৰতবৰ্ষত পঞ্জীভূত হোৱা কোনো নিগমিত নিকায়, সংগঠন বা সংস্থাই ৰাজ্য চৰকাৰে ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডলৈ বিহিত কৰা দৰে এনে প্ৰপত্ৰত পূবৰ্ব জাননী দিব ।

(২) উপ-ধাৰা (১)ৰ অধীনত এখন জাননীৰ প্ৰাপ্তিত, ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডে, সংশ্লিষ্ট স্থানীয় নিকায়ৰ সৈতে পৰামৰ্শ কৰি আৰু ই উচিত গণ্য কৰা দৰে এনে তদন্ত কৰাৰ পিছত আদেশৰ দ্বাৰা, এনে কোনো কাৰ্য্যকলাপ নিষিদ্ধ বা নিয়ন্ত্ৰণ কৰিব পাৰে যদিহে এনে মত হয় যে এনে কাৰ্য্যকলাপ, অধিৰক্ষণৰ বিষয়বস্তু আৰু জৈৱ বিবিধতাৰ প্ৰমাণীকৃত ব্যৱহাৰ বা এনে কাৰ্য্যকলাপৰ পৰা উদ্ভৱ হোৱা ভগাই লোৱা সমতাযুক্ত লাভৰ হানিকাৰক বা বৈপৰীত হয় ঃ

পৰন্তু প্ৰভাৱিত ব্যক্তিজনক শুনানীৰ এটা সুযোগ নিদিয়াকৈ কোনো আদেশ কৰা নহব ।

(৩) পূৰ্ব জাননীৰ বাবে উপ-ধাৰা (১)ত নিৰ্দ্দেশিত প্ৰপত্ৰত দিয়া কোনো জাননীক গোপনভাৱে ৰখা হব আৰু ইয়াৰ সৈতে জড়িত নথকা কোনো ব্যক্তিলৈ অভিপ্ৰেত ভাৱেই হওঁক বা অনাভিপ্ৰেত ভাৱেই হওঁক প্ৰকট কৰা নহব।

ধাৰা ৯ৰ পৰা ১৭ত থকা উপৱন্ধাৱলী ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ ৰূপান্তৰত প্ৰয়োগ হব ।

২৫। ধাৰা ৯ৰ পৰা ১৭ লৈ উপৱন্ধাৱলী ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডলৈ প্ৰয়োগ হব আৰু নিম্নলিখিত পৰিৱৰ্ত্তনসমূহৰ সাপেক্ষে প্ৰভাৱী হব, অৰ্থাৎ ঃ-

(ক) কেন্দ্ৰীয় চৰকাৰৰ প্ৰসঙ্গ নিৰ্দ্দেশবোৰ ৰাজ্য চৰকাৰৰ প্ৰসঙ্গ নিৰ্দ্দেশৰূপে অৰ্থ হব ;

(খ) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ প্ৰসঙ্গ নিৰ্দ্দেশবোৰ, ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ প্ৰসঙ্গ নিৰ্দেশ ৰূপে অৰ্থ হব ;

(গ) ভাৰতৰ সঞ্চিত নিধিৰ প্ৰসঙ্গ নিৰ্দ্দেশ, ৰাজ্যৰ সঞ্চিত নিধিৰ প্ৰসঙ্গ নিৰ্দ্দেশ ৰূপে অৰ্থ হব ।

## অধ্যায়-VII

## ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া মঞ্জুৰী আৰু ঋণ ।

২৬। কেন্দ্ৰীয় চৰকাৰে, এই মৰ্ম্মে সংসদৰ দ্বাৰা প্ৰণীত সম্যক বিনিয়োজনৰ পিছত, বিধিৰ দ্বাৰা, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ব্যৱহাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে উচিত বুলি ভবা দৰে এনে ধনৰাশি, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণলৈ, মঞ্জুৰী বা ঋণৰ ম্যাধমেৰে আদায় দিব ।

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা নিধিৰ গঠন ।

২৭। ৰাষ্ট্ৰীয় জৈৱ বিবিধতা নিধি নামেৰে এটা নিধি গঠন কৰা হব আৰু সেইবোৰলৈ নিম্মলিখিতবোৰ জমা কৰা হব -

(ক) ধাৰা ২৬ৰ অধীনত ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণলৈ দিয়া কোনো মঞ্জুৰী আৰু ঋণ ;

(খ) এই অধিনিয়মৰ অধীনত ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দ্বাৰা গ্ৰহণ কৰা সকলো প্ৰভাৰৰ আৰু ৰাজকৰ ;

(গ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিনিশ্চিত কৰা দৰে এনে আন উৎসৰ পৰা, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দ্বাৰা গ্ৰহণ কৰা সকলো ধনৰাশি ।

(২) এই নিধি --

(ক) লাভ দাবীকৰ্ত্তালৈ প্ৰণালীযুক্ত লাভৰ বাবে প্ৰয়োগ হব ;

(খ) জৈৱ বিবিধতা সম্পদাৰ অধিৰক্ষন আৰু উন্নীতকৰণ আৰু অঞ্চলসমূহৰ বিকাশৰ বাবে প্ৰয়োগ হব য'ৰ পৰা ইয়াৰ সৈতে জড়িত এনে জৈৱ বিবিধতা বা সম্পদা অতিৰিক্ত হয় ;

(গ) সংশ্লিষ্ট স্থানীয় নিকায়ৰ সৈতে পৰামৰ্শ কৰি খণ্ড (খ)ত নিৰ্দ্দেশিত অঞ্চলবোৰৰ আৰ্থ-সামাজিক বিকাশৰ বাবে প্ৰয়োগ হব।

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ বাৰ্ষিক প্ৰতিবেদন।

২৮। ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে, বিহিত কৰা দৰে এনে প্ৰপত্ৰত আৰু এনে সময়ত, পূৰ্ব বিত্তীয় বৰ্ষৰ কালত ইয়াৰ কাৰ্য্যকলাপৰ এটা সম্পূৰ্ণ বিৱৰণী দি, ইয়াৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু বিহিত কৰা এনে তাৰিখৰ পূৰ্বে ইয়াৰ ওপৰত হিচাপ পৰীক্ষকৰ এটা প্ৰতিবেদন সহ ইয়াৰ হিচাপসমূহৰ এটা পৰীক্ষা কৰা প্ৰতিলিপি কেন্দ্ৰীয় চৰকাৰক দিব ।

বাজেট, হিচাপ আৰু হিচাপ পৰীক্ষা।

২৯। (১) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে (ৰাষ্ট্ৰীয় জৈৱ বিবিধতা নিধিৰ হিচাপ আৰু সুসঙ্গত অভিলেখবোৰ অন্তৰ্ভুক্ত কৰি) এখন বাজেট প্ৰস্তুত কৰিব, সমুচিত হিচাপ আৰু আন সুসঙ্গত অভিলেখ ৰাখিব আৰু ভাৰতৰ নিৰ্দ্দেশক আৰু মহালেখা পৰীক্ষকৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এনে প্ৰপত্ৰত হিচাপৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব ।

(২) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ হিচাপবোৰ এনে অৱকাশত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা হিচাপ পৰীক্ষা কৰা হব যিদৰে তেওঁৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা হয়, আৰু এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত হোৱা কোনো খৰচ, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰধিকৰণৰ দ্বাৰা ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকলৈ দেয় হব ।

(৩) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক আৰু ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ হিচাপসমূহৰ হিচাপ পৰীক্ষাৰ সম্পৰ্কত তেওঁৰ দ্বাৰা নিযুক্ত কোনো আন ব্যক্তিৰ, চৰকাৰী হিচাপসমূহৰ হিচাপ পৰীক্ষাৰ সম্পৰ্কত সাধাৰণতে নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ থকা দৰে এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত একে অধিকাৰ আৰু বিশেষাধিকাৰ আৰু প্ৰাধিকাৰিতা থাকিব আৰু বিশেষতঃ বহী, হিচাপ, সম্পৰ্কিত প্ৰমাণিত ৰচিদ আৰু আন দস্তাৱেজ আৰু তথ্যবোৰৰ পেচকৰণৰ দাবী কৰিবলৈ আৰু ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ যিকোনো কাৰ্য্যালয় পৰিদৰ্শন কৰিবলৈ অধিকাৰ থাকিব ।

(৪) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা প্ৰমাণ কৰা ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ হিচাপ, বা এই মৰ্ম্মে তেওঁৰ দ্বাৰা নিযুক্ত কোনো আন ব্যক্তি ইয়াৰ ওপৰত হিচাপৰ প্ৰতিবেদন সহ একেলগে বাৰ্ষিকভাৱে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হব।

বাৰ্ষিক প্ৰতিবেদন সংসদত উত্থাপন কৰা হ'ব।

৩০। কেন্দ্ৰীয় চৰকাৰে, সংসদৰ প্ৰত্যেক সদনত বাৰ্ষিক প্ৰতিবেদন বা হিচাপ পৰীক্ষকৰ প্ৰতিবেদন গ্ৰহণ কৰাৰ পিছত যথা শীঘ্ৰে উত্থাপন কৰিব ।

## অধ্যায়-VIII

## ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডলৈ ৰাজ্য চৰকাৰৰ দ্বাৰা দিয়া ধনৰাশিৰ মঞ্জুৰী ।

৩১। ৰাজ্য চৰকাৰে, ৰাজ্যিক বিধানমণ্ডলে এই মৰ্ম্মে বিধিৰ দ্বাৰা কৰা সমুচিত বিনিয়োজনৰ পিছত, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ব্যৱহাৰ হবলৈ, ৰাজ্য চৰকাৰে উচিত বুলি ভবা দৰে এনে ধনৰাশিৰ পৰিমাণ, মঞ্জুৰী বা ঋণৰ জৰিয়তে ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডলৈ আদায় দিব।

ৰাজ্যিক জৈৱ বিবিধতা নিধিৰ গঠন।

৩২। (১) ৰাজ্যিক জৈৱ বিবিধতা নিধি নামেৰে এটা নিধি গঠন কৰা হব আৰু তাত নিম্নলিখিতসমূহ জমা কৰা হব --

(ক) ধাৰা ৩১ৰ অধীনত ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডলৈ দিয়া কোনো মঞ্জুৰী আৰু ঋণ ;

(খ) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দ্বাৰা দিয়া কোনো মঞ্জুৰী বা ঋণ ;

(গ) ৰাজ্য চৰকাৰে বিনিশ্চিত কৰা দৰে এনে আন উৎসৰ পৰা ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ দ্বাৰা গ্ৰহণ কৰা সকলো ধনৰাশি ।

(২) ৰাজ্যিক জৈৱ বিবিধতা নিধি নিম্নলিখিতসমূহলৈ প্ৰযোজ্য হব --

(ক) পৰম্পৰা স্থানৰ পৰিচালনা আৰু অধিকৰণ ;

(খ) ধাৰা ৩৭ৰ উপধাৰা (১) ৰ অধীনত অধিসূচনা দি অৰ্থনৈতিক ভাৱে প্ৰভাৱিত হোৱা কোনো শ্ৰেণীৰ মানুহৰ ক্ষতিপূৰণ দিয়া বা পুনৰ সংস্থাপন কৰা ;

(গ) জৈৱ সম্পদাৰ অধিৰক্ষণ আৰু উন্নীতকৰণ ;

(ঘ) অঞ্চলবোৰৰ আৰ্থ-সামাজিক বিকাশ য'ৰ পৰা ইয়াৰ সৈতে জড়িত এনে জৈৱ সম্পদা বা জ্ঞান, সংশ্লিষ্ট স্থানীয় নিকায়ৰ সৈতে পৰামৰ্শ কৰি, ধাৰা ২৪ৰ অধীনত দিয়া কোনো আদেশৰ সাপেক্ষে অতিৰিক্ত যোগ দিয়া হয় ;

(ঙ) এই অধিনিয়মৰ দ্বাৰা প্ৰাধিকৃত প্ৰয়োজনাৰ্থে হোৱা খৰচবোৰ পূৰণ কৰা ।

ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ বাৰ্ষিক প্ৰতিবেদন।

৩৩ । ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডে, বিহিত কৰা দৰে প্ৰত্যেক বিত্তীয় বৰ্ষত এনে প্ৰপত্ৰত আৰু এনে সময়ত, পূৰ্ব বিত্তীয় বৰ্ষত ইয়াৰ কাৰ্য্যকলাপৰ এটা সম্পূৰ্ণ হিচাপ দি, ইয়াৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু ইয়াৰ এটা প্ৰতিলিপি ৰাজ্য চৰকাৰলৈ দিব।

ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ হিচাপসমূহৰ হিচাপ পৰীক্ষা।

৩৪ । ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ হিচাপসমূহ, বিহিত কৰা দৰে, ৰাজ্যৰ মহাগাণনিকৰ সৈতে পৰামৰ্শ কৰি এনে ৰীতিত ৰখা হব আৰু হিচাপ পৰীক্ষা কৰা হব আৰু ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডে, ইয়াৰ ওপৰত হিচাপ পৰীক্ষকৰ প্ৰতিবেদন সহ একেলগে ইয়াৰ হিচাপৰ হিচাপ পৰীক্ষা কৰা প্ৰতিলিপি বিহিত কৰা দৰে এনে তাৰিখৰ পূৰ্বে ৰাজ্য চৰকাৰলৈ দিব ।

ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ বাৰ্ষিক প্ৰতিবেদন ৰাজ্যিক বিধান মণ্ডলত উত্থাপন কৰা হব।

৩৫ । ৰাজ্য চৰকাৰে, বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন, তেওঁলোকে প্ৰাপ্ত কৰাৰ পিচত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলত উত্থাপন কৰিব ।

## অধ্যায়-IX

## ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দ্বাৰা দিয়া অনুমোদন

**কেন্দ্ৰীয় চৰকাৰে জৈৱ বিবিধতাৰ অধিৰক্ষণ ইত্যাদিৰ বাবে কেন্দ্ৰীয় কাৰ্য্য পৰিকল্পনা, আঁচনি ইত্যাদিৰ বিকাশ সাধন কৰিব ।**

৩৬ । (১) কেন্দ্ৰীয় চৰকাৰে, প্ৰমাণীকৰণৰ বাবে ব্যৱস্থা আৰু জৈৱ সম্পদাত চহকী অঞ্চলৰ পকীকৰণ, স্ব-স্থানিক পূৰ্ব স্থানিকৰ বিকাশ , জৈৱ সম্পদাৰ অধিৰক্ষণ, জৈৱ বিবিধতাৰ সম্পৰ্কে সজাগতা বৃদ্ধি কৰিবলৈ গৱেষণা, প্ৰশিক্ষণ আৰু জন শিক্ষাৰ বাবে উদ্গনি অন্তৰ্ভুক্ত কৰি অধিৰক্ষণ আৰু উন্নীতকৰণৰ বাবে ৰাষ্ট্ৰীয় কাৰ্য্য পৰিকল্পনা, আঁচনি, কাৰ্য্যক্ৰমনিকাৰ আৰু জৈৱ বিবিধতা প্ৰমাণীকৰণ ব্যৱহাৰৰ বিকাশ সাধন কৰিব ।

(২) য'ত কেন্দ্ৰীয় চৰকাৰৰ বিশ্বাস কৰিবলৈ কাৰণ থাকে যে জৈৱ বিবিধতাত চহকী কোনো অঞ্চল, জৈৱ সম্পদা আৰু সেইবোৰৰ বাসিন্দাসকলক অপব্যৱহাৰ, অতিব্যৱহাৰ বা অৱহেলাৰ দ্বাৰা ভীতি প্ৰদৰ্শন কৰা হৈছে সংশ্লিষ্ট ৰাজ্য চৰকাৰক কোনো কাৰিকৰী আৰু সহায়তা কোনো ৰাজ্য চৰকাৰক প্ৰদান কৰি তৎকালিক উন্নত ব্যৱস্থা লবলৈ সংশ্লিষ্ট ৰাজ্য চৰকাৰক নিৰ্দ্দেশনা জাৰি কৰিব যিটো উপবন্ধিত বা দৰকাৰ বুলি সম্ভৱ হয় ।

(৩) কেন্দ্ৰীয় চৰকাৰে, প্ৰয়োগসাধ্য হোৱা দৰে, য'ত ই সমুচিত বুলি গণ্য কৰে, জৈৱ বিবিধতাৰ অধিৰক্ষণ, বিকাশ আৰু প্ৰমাণীকৃত ব্যৱহাৰ সুসঙ্গত ক্ষেত্ৰীয় বা প্ৰতিক্ষেত্ৰীয়, কাৰ্য্যক্ৰমনিকা আৰু আঁচনিলৈ একত্ৰিত কৰিব ।

(৪) কেন্দ্ৰীয় চৰকাৰে নিম্ন লিখিত ব্যৱস্থা হাতত লব -

(i) সেই প্ৰকল্পৰ পৰিবেশিক সমাধানৰ নিৰ্দ্ধাৰণৰ বাবে. য'তেই আৱশ্যক হয়, যিবোৰে জৈৱ বিবিধতাৰ ওপৰত প্ৰতিকূল হোৱাৰ সম্ভাৱনা থাকে, এনে প্ৰভাৱ বৰ্জন কৰিবলৈ বা হ্ৰাস কৰিবলৈ আৰু য'ত, এনে নিৰ্দ্ধাৰণত জনসাধাৰণৰ বাবে সমুচিত ব্যৱস্থা কৰা হয় ;

(ii) জৈৱ বিবিধতাৰ অধিৰক্ষণ আৰু প্ৰমাণীকৃত ব্যৱহাৰৰ আৰু মানৱ স্বাস্থ্যৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পোলোৱাৰ সম্ভাৱনা থকা কোনো জৈৱ কাৰিকৰীৰ পৰা উদ্ভৱ হোৱা জীৱিত পৰিৱৰ্ত্তিত জৈৱৰ ব্যৱহাৰ আৰু মুক্তিৰ সৈতে জড়িত বিপদাশঙ্কা বিনিয়মিত, পৰিচালনা বা নিয়ন্ত্ৰণ কৰিবলৈ ;

(৫) কেন্দ্ৰীয় চৰকাৰে, এনে ব্যৱস্থাসমূহৰ জৰিয়তে ৰাষ্ট্ৰীয় জৈৱ বিবিধতাৰ দ্বাৰা অনুমোদন দিয়া দৰে

জৈৱ বিবিধতাৰ সৈতে সম্বন্ধিত স্থানীয় লোকৰ জ্ঞান বা সন্মান জনাবলৈ আৰু সুৰক্ষা দিবলৈ প্ৰয়াস কৰিব, যিয়ে স্থানীয়, ৰাজ্যিক বা ৰাষ্ট্ৰীয় পৰ্য্যায়ত এনে জ্ঞান আৰু অস্বাভাৱিক পদ্ধতিক অন্তৰ্ভুক্ত কৰি সুৰক্ষাৰ বাবে আন ব্যৱস্থাসমূহৰ পঞ্জীয়ন অন্তৰ্ভুক্ত কৰিব পাৰে ।

**স্পষ্টীকৰণ** – এই ধাৰাৰ প্ৰয়োজনাৰ্থে,--

(ক) ''পূৰ্ৱস্থানিক অধিৰক্ষণ '' মানে সেইবোৰৰ প্ৰাকৃতিক বাসিন্দাৰ জৈৱ বিবিধতাৰ উপাদানৰ অধিৰক্ষণ ;

(খ) ''স্ব-স্থানিক অধিৰক্ষণ'' মানে পাৰিপাৰ্শ্বিক আৰু প্ৰাকৃতিক বাসস্থানৰ অধিৰক্ষণ আৰু সেইবোৰৰ প্ৰাকৃতিক আৱেষ্টনিত থকা প্ৰজাতিৰ পৰিৱৰ্ত্তনীয় সংখ্যাৰ ৰক্ষণাবেক্ষন আৰু পুনৰ উদ্ধাৰ আৰু, পোহ-পালন কৰা বা উৎকৰ্ষ সাধন কৰা প্ৰজাতিৰ ক্ষেত্ৰত বাতাবৰণত য'ত সিঁহতে বিভিন্ন গুণ বিকাশ কৰিব পাৰে ।

জৈৱ বিবিধতা পৰম্পৰা স্থান ।

৩৭ । (১) তৎসময় বলবৎ থকা কোনো আন বিধিত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ ৰাজ্য চৰকাৰে, সময়ে সময়ে স্থানীয় নিকায়ৰ সৈতে পৰামৰ্শ কৰি এই অধিনিয়মৰ অধীনত জৈৱ বিবিধতা গুৰুত্ব থকা স্থানক জৈৱ বিবিধতাৰ পৰম্পৰা স্থান ৰূপে চৰকাৰী ৰাজপত্ৰত অধিসূচনা দিব পাৰে ।

(২) ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত পৰামৰ্শ কৰি সকলো পৰম্পৰা স্থানৰ পৰিচালনা আৰু অধিকৰণৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(৩) ৰাজ্য চৰকাৰে এনে অধিসূচনাৰ দ্বাৰা অৰ্থনৈতিকভাৱে প্ৰভাৱিত হোৱা কোনো ব্যক্তি বা ব্যক্তিৰ শ্ৰেণীক ক্ষতিপূৰণ দিয়া বা পুনৰস্থাপনৰ বাবে আঁচনি প্ৰনয়ণ কৰিব ।

আশঙ্কিত প্ৰজাতিবোৰক জাননী দিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা ।

৩৮ । তৎসময় বলবৎ থকা কোনো আন বিধিৰ উপবন্ধাৱলীত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ সৈতে পৰামৰ্শ কৰি সময়ে সময়ে উপজাতিক অধিসূচিত কৰিব পাৰে যিটো বিলুপ্তিৰ সীমাত বা অদূৰ ভৱিষ্যতত আশঙ্কিত এটা প্ৰজাতি ৰূপে বিলুপ্ত হোৱাৰ সম্ভাৱনা থাকে আৰু সেই প্ৰজাতিবোৰক পুনৰ স্থাপন আৰু পৰিৰক্ষণ কৰিবলৈ সমুচিত ব্যৱস্থা লব পাৰে ।

নিধান অভিহিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা ।

৩৯ । (১) কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ সৈতে পৰামৰ্শ কৰি বিভিন্ন শ্ৰেণীৰ জৈৱ সম্পদাৰ বাবে এই অধিনিয়মৰ অধীনত নিধান ৰূপে প্ৰতিষ্ঠান সমূহ অভিহিত কৰিব পাৰে ।

(২) সেইবোৰৰ সৈতে জমা কৰা ভাউচাৰৰ নমুনা অন্তৰ্ভুক্ত কৰি নিধানসমূহে জৈৱ উপাদানসমূহ সুৰক্ষিত অভিৰক্ষাত ৰাখিব ।

(৩) কোনো ব্যক্তিয়ে আৱিষ্কাৰ কৰা কোনো নতুন জীৱৰ বৰ্গ নাম, ইয়াৰ প্ৰয়োজনৰ বাবে অভিহিত কৰা কোনো নিধান বা প্ৰতিষ্ঠানলৈ অধিসূচিত কৰিব আৰু তেওঁ এনে নিধান বা প্ৰতিষ্ঠানত ভাউচাৰ নমুনাবোৰ জমা কৰিব ।

কেতবোৰ জৈৱ সম্পদাৰেহাই দিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা ।

৪০ । এই অধিনিয়মত কোনো কথা থকা স্বত্বেও, কেন্দ্ৰীয় চৰকাৰে, জৈৱ বিবিধতা প্ৰাধিকৰণৰ সৈতে পৰামৰ্শ কৰি, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা ঘোষণা কৰিব পাৰে যে এই অধিনিয়মৰ উপবন্ধাৱলী, বস্তুৰূপে সাধাৰণতে ব্যৱসায় কৰা জৈৱ সম্পদাক অন্তৰ্ভুক্ত কৰি যি কোনো বিষয়ত, প্ৰযোজ্য নহব ।

## অধ্যায়-X

## জৈৱ বিবিধতা পৰিচালনা সমিতি

জৈৱ বিবিধতা পৰিচালনা সমিতিৰ গঠন ।

৪১ । (১) প্ৰত্যেক স্থানীয় নিকায়ে, বাসিন্দাসকলৰ পৰিৰক্ষণ, স্থলজাতি অধিৰক্ষণ, বিভিন্ন গোষ্ঠী আৰু খেতিয়কৰ অধিৰক্ষণ, পশু-বন আৰু বংশ বৃদ্ধি কৰা আৰু অনুজীৱ আৰু জৈৱ বিবিধতা সম্পৰ্কীয় জ্ঞানৰ ঘটনা পঞ্জীক অন্তৰ্ভুক্ত কৰি অধিৰক্ষণ প্ৰমাণীকৃত ব্যৱহাৰ আৰু জৈৱ বিবিধতাৰ প্ৰমাণিক লিপিক উন্নীত কৰাৰ প্ৰয়োজনাৰ্থে ইয়াৰ ক্ষেত্ৰৰ ভিতৰত এখন জৈৱ বিবিধতা সমিতি গঠন কৰিব ।

**স্পষ্টীকৰণ** - এই উপ-ধাৰাৰ প্ৰয়োজনাৰ্থে,--

(ক) ''কৃষিজ-প্ৰজাতি'' মানে উদ্ভিদৰ শ্ৰেণী যিবোৰ কৃষিৰ অধীনত উদ্ভাৱন কৰে আৰু অপৰিৱৰ্ত্তিত ৰূপে থাকে বা যিবোৰ কৃষিৰ প্ৰয়োজনাৰ্থে বিনিৰ্দ্দিষ্টৰূপে বংশ বৃদ্ধি হৈছিল ;

(খ) ''বিভিন্ন জনগোষ্ঠী'' মানে খেতিয়কসকলকৰ মাজত অবিহিতভাৱে বিকশিত হোৱা, বাঢ়ি অহা বা অদল বদল হোৱা খেতি কৰা বিভিন্ন ধৰণৰ উদ্ভিদ ;

(গ) ''ভূমি বৈশিষ্ট্য'' মানে আদিম কৃষিজ প্ৰজাতি যিসকল প্ৰাচীন খেতিয়ক আৰু তেওঁলোকৰ উত্তৰাধিকাৰীৰ দ্বাৰা উৎপন্ন কৰা হৈছিল ।

(২) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ আৰু ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ড, জৈৱ বিবিধতা পৰিচালনা সমিতিৰ ৰাজ্যক্ষেত্ৰীয় অধিকাৰিতাৰ ভিতৰত উদ্ভৱ হোৱা এনে সম্পাদাৰ সৈতে জড়িত জৈৱ সমুদা আৰু জ্ঞানৰ ব্যৱহাৰ সম্বন্ধিত কোনো বিনিশ্চয় লোৱা সময়ত জৈৱ বিবিধতা সমিতিবোৰৰ সৈতে পৰামৰ্শ কৰিব ।

(৩) জৈৱ বিবিধতা পৰিচালনা সমিতিয়ে ইয়াৰ ৰাজ্যক্ষেত্ৰীয় অধিকাৰিতাৰ ভিতৰত পৰা অঞ্চলবোৰৰ পৰা ব্যৱসায়িক প্ৰয়োজনাৰ্থে কোনো কোনো জৈৱ সম্পদা নিৰ্দ্ধাৰণ বা সংগ্ৰহৰ বাবে কোনো ব্যক্তিৰ পৰা মাছুল সংগ্ৰহৰ মাধ্যমেৰে প্ৰভাৰ উদ্‌গ্ৰহণ কৰিব পাৰে ।

## অধ্যায়-XI

## স্থানীয় জৈৱ বিবিধতা নিধি

স্থানীয় জৈৱ বিবিধতা নিধিলৈ দিয়া মঞ্জুৰী ।

৪২ । ৰাজ্য চৰকাৰে, এই মৰ্ম্মে ৰাজ্যিক বিধান মণ্ডলৰ নিধিৰ দ্বাৰা প্ৰণীত সম্যক অভিগ্ৰহণৰ পিছত, এনে পৰিমাণৰ ধনৰাশি, মঞ্জুৰী বা ঋণ ব্যৱস্থাৰে স্থানীয় জৈৱ বিবিধতা নিধিলৈ আদায় দিব পাৰে যিদৰে এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে সম্প্ৰতি ব্যৱহাৰ হোৱাৰ বাবে ৰাজ্য চৰকাৰে উচিত বুলি ভাৱে ।

স্থানীয় জৈৱ বিবিধতা নিধিৰ গঠন।

৪৩ । (১) ৰাজ্য চৰকাৰৰ দ্বাৰা অধিসূচিত প্ৰত্যেক অঞ্চলত স্থানীয় জৈৱ বিবিধতা নিধি নামেৰে এটা নিধি গঠন কৰা হব য'ত স্থানীয় চৰকাৰৰ কোনো প্ৰতিষ্ঠানে কাম নকৰে আৰু তাত নিম্নলিখিতসমূহ জমা কৰা হব -

(ক) ধাৰা ৪২ৰ অধীনত দিয়া কোনো মঞ্জুৰী আৰু ঋণ ;

(খ) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ দ্বাৰা দিয়া কোনো মঞ্জুৰী বা ঋণ ;

(গ) ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ দ্বাৰা দিয়া কোনো মঞ্জুৰী বা ঋণ ;

(ঘ) জৈৱ বিবিধতা পৰিচালনা সমিতিৰ দ্বাৰা প্ৰাপ্ত ধাৰা ৪১ৰ উপ-ধাৰা (৩) ত নিৰ্দ্দেশিত মাছুল সমূহ ;

(ঙ) ৰাজ্য চৰকাৰৰ দ্বাৰা বিনিশ্চিত কৰা দৰে এনে আন উৎসৰ পৰা স্থানীয় জৈৱ বিবিধতা নিধিৰ দ্বাৰা প্ৰাপ্ত কৰা সকলো ধনৰাশি ।

স্থানীয় জৈৱ বিবিধতা নিধিৰ প্ৰয়োগ ।

৪৪ । (১) উপ-ধাৰা (২)ৰ উপবন্ধাৱলীৰ সাপেক্ষে, স্থানীয় জৈৱ বিবিধতা নিধিৰ পৰিচালনা আৰু অভিৰক্ষণ আৰু ইয়াৰ প্ৰয়োজনাৰ্থে এনে নিধি প্ৰয়োগ কৰা হব, যি ৰাজ্য চৰকাৰে বিহিত কৰা এনে ৰীতিত হব ।

(২) সংশ্লিষ্ট স্থানীয় নিকায়ৰ অধিকাৰ ক্ষেত্ৰৰ ভিতৰত পৰা অঞ্চলসমূহত জৈৱ বিবিধতাৰ অধিৰক্ষণ আৰু বিকাশৰ বাবে আৰু সম্পাদনৰ হিতাৰ্থে যিমানদূৰ ব্যৱহাৰ জৈৱ বিবিধতাৰ অধিৰক্ষণৰ সৈতে সুসঙ্গত হয়, এই নিধি ব্যৱহৃত-হব ।

জৈৱ বিবিধতা পৰিচালনা সমিতিৰ বাৰ্ষিক প্ৰতিবেদন ।

৪৫ । স্থানীয় জৈৱ বিবিধতা নিধিৰ অভিৰক্ষা ধাৰণ কৰা ব্যক্তিয়ে বিহিত কৰা দৰে এনে প্ৰপত্ৰত আৰু প্ৰত্যেক বিত্তীয় বৰ্ষৰ এনে সময়ত পূৰ্ব বিত্তীয় বৰ্ষৰ ইয়াৰ কাৰ্য্যকলাপৰ এটা পূৰ্ণ বিৱৰণী দি, ইয়াৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু ইয়াৰ প্ৰতিলিপি সংশ্লিষ্ট স্থানীয় নিকায়লৈ দাখিল কৰিব ।

জৈৱ বিবিধতা পৰিচালনা সমিতিৰ হিচাপৰ হিচাপ পৰীক্ষা ।

৪৬ । স্থানীয় জৈৱ বিবিধতা নিধিৰ হিচাপ, ৰাজ্যৰ মহা গাণনিকৰ পৰামৰ্শসহ, বিহিত কৰা দৰে এনে ৰীতিত সংৰক্ষিত কৰা হব আৰু হিচাপ পৰীক্ষা কৰা হব আৰু স্থানীয় জৈৱ বিবিধতাৰ অভিৰক্ষা ধাৰণ কৰা ব্যক্তিয়ে বিহিত কৰা দৰেএনে তাৰিখৰ পূৰ্ব্বে সংশ্লিষ্ট স্থানীয় নিকায়লৈ ইয়াৰ ওপৰত হিচাপ পৰীক্ষকৰ প্ৰতিবেদনসহ একেলগে হিচাপ পৰীক্ষা কৰা প্ৰতিলিপি দিব ।

জৈৱ বিবিধতা পৰিচালনা সমিতিৰ বাৰ্ষিক প্ৰতিবেদন, ইত্যাদি জিলা দণ্ডাধীশলৈ দাখিল কৰা হব ।

৪৭ । ধাৰা ৪১ উপ-ধাৰা (১)ৰ.অধীনত জৈৱ বিবিধতা পৰিচালনা সমিতিৰ গঠন কৰা প্ৰত্যেক স্থানীয় নিকায়ে যথাক্ৰমে ধাৰা ৪৫ আৰু ৪৬ত নিৰ্দ্দেশত বাৰ্ষিক প্ৰতিবেদন আৰু ইয়াৰ ওপৰত হিচাপ পৰীক্ষকৰ প্ৰতিবেদন সহ হিচাপৰ হিচাপ পৰীক্ষা কৰা এটা প্ৰতিলিপি কাৰিত কৰিব আৰু স্থানীয় নিকায়ৰ অঞ্চলৰ ওপৰত অধিকাৰিতা থকা জিলা দণ্ডাধীশলৈ দাখিল কৰিব লগীয়া এনে সমিতিৰ সম্বন্ধত কাৰিত কৰিব ।

# জৈৱ বিবিধতা অধিনিয়ম, ২০০২

## অধ্যায়-XII

## বিবিধ

রাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া নিৰ্দ্দেশনাৰ দ্বাৰা আবদ্ধ হব ।

৪৮। (১) এই অধিনিয়মৰ পূৰ্বগামী উপৰন্ধাৱলীৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্য আৰু কৰ্ত্তব্যৰ নিৰ্বহনত, কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে, ইয়ালৈ লিখিতভাৱে দিয়াৰ দৰে আঁচনিৰ এনে প্ৰশ্নৰ ওপৰত এনে নিৰ্দ্দেশনাৰ দ্বাৰা আৱদ্ধ হব ঃ

পৰন্তু ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ, যিমান দূৰ প্ৰয়োগসাধ্য হয়, এই উপ-ধাৰাৰ অধীনত কোনো নিৰ্দ্দেশনা দিয়াৰ পূৰ্বে ইয়াৰ মত প্ৰকাশ কৰিবলৈ সুযোগ দিয়া হব ।

(২) কেন্দ্ৰীয় চৰকাৰৰ বিনিশ্চয়টো পৰিচালনা নীতিৰ এটা প্ৰশ্ন হয় নে নহয়, চূড়ান্ত হব ।

ৰাজ্য চৰকাৰৰ নিৰ্দেশ দিয়াৰ ক্ষমতা ।

৪৯। (১) এই অধিনিয়মৰ পূৰ্বগামী উপৰন্ধাৱলীত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডে, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্য আৰু কৰ্ত্তব্যৰ নিৰ্বহনত, ৰাজ্য চৰকাৰে সময়ে সময়ে, ইয়ালৈ লিখিতভাৱে দিয়াৰ দৰে আঁচনিৰ এনে প্ৰশ্নৰ ওপৰত এনে নিৰ্দ্দেশনাৰ দ্বাৰা আৱদ্ধ হব ঃ

পৰন্তু ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডক, যিমান দূৰ প্ৰয়োগসাধ্য হয়, এই উপ-ধাৰাৰ অধীনত কোনো নিৰ্দ্দেশনা দিয়াৰ পূৰ্বে ইয়াৰ মত প্ৰকাশ কৰিবলৈ সুযোগ দিয়া হব ।

(২) ৰাজ্য চৰকাৰৰ বিনিশ্চয়টো এটা প্ৰশ্ন আঁচনিৰ হয় নে নহয়, চূড়ান্ত হব ।

ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ মাজত থকা বিবাদৰ সমাধান ।

৫০। (১) যদিহে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ বা ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ মাজত কোনো বিবাদৰ উদ্ভৱ হয় উক্ত প্ৰাধিকৰণ বা যথাস্থিতি বোৰ্ডে, বিহিত কৰা এনে সময়ৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰলৈ এটা আপীল কৰিব পাৰে ।

(২) উপ-ধাৰা (১)ৰ অধীনত কৰা প্ৰতোক আপীল, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা এনে প্ৰ-পত্ৰত হব ।

(৩) এটা আপীলৰ নিষ্পত্তিকৰণৰ বাবে প্ৰক্ৰিয়াবোৰ কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এনে হব ঃ পৰন্তু এটা আপীলৰ নিষ্পত্তিকৰণৰ পূৰ্বে, পক্ষসমূহক শুনানীৰ এটা যুক্তিসঙ্গত সুযোগ দিয়া হব ।

(৪) যদিহে ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডসমূহৰ মাজত কোনো বিবাদৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে সেইবোৰ ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণলৈ প্ৰেৰণ কৰিব ।

(৫) যেতিয়া উপ-ধাৰা (৪)ৰ অধীনত কোনো বিবাদৰ ন্যায়-নিণীত কৰা হয়, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ নৈসগিক ন্যায়ৰ প্ৰক্ৰিয়াৰ দ্বাৰা পৰিচালিত হব আৰু কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এনে প্ৰক্ৰিয়া অনুসৰণ কৰিব ।

১৯০৮ৰ ৫

(৬) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ, এই ধাৰাৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনৰ প্ৰয়োজনাৰ্থে, নিম্নলিখিত বিষয়সমূহৰ ক্ষেত্ৰত চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ অধীনত এখন চিভিল ন্যায়ালয়ত ন্যস্ত কৰা দৰে একে ক্ষমতা থাকিব, অৰ্থাৎ ঃ-

(ক) কোনো ব্যক্তিৰ উপস্থিতি চমন আৰু উপস্থিতি কাৰ্য্যকৰী কৰা আৰু শপথৰ ওপৰত তেওঁক পৰীক্ষা কৰা ;

(খ) দস্তাৱেজসমূহৰ প্ৰকটকৰণ আৰু উপস্থাপন অপেক্ষা কৰা ;

(গ) শপথ পত্ৰৰ ওপৰত সাক্ষ্য লোৱা ;

(ঘ) সাক্ষী বা দস্তাৱেজৰ পৰীক্ষাৰ বাবে কমিচন জাৰি কৰা ;

(ঙ) ইয়াৰ বিনিশ্চয়বোৰৰ পুনৰীক্ষণ কৰা ;

(চ) ক্ৰটীৰ বাবে এখন আবেদন নাকচকৰণ বা ইয়াক এক পক্ষীয়ভাৱে পাৰিত কৰা ;

(ছ) ক্ৰটীৰ বাবে কোনো আবেদনৰ নিষ্পত্তিকৰণৰ কোনো আদেশৰ ৰদকৰণ বা ইয়াৰ দ্বাৰা একপক্ষীয় ভাৱে পাৰিত কৰা কোনো আদেশ ;

(জ) বিহিত কৰা কোনো আন বিষয় ।

(৭) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ আগত প্ৰত্যেক কাৰ্য্যবাহীক ধাৰা ১৯৩ আৰু ২২৮ ৰ অৰ্থৰ ভিতৰত ন্যায়িক কাৰ্য্যবাহী বুলি গণ্য কৰা হব আৰু ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৯৬ৰ প্ৰয়োজনাৰ্থে আৰু

# জৈৱ বিবিধতা অধিনিয়ম, ২০০২

১৮৬০ৰ ৪৫
১৯৭৪ৰ ২

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণক দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৯৫ আৰু অধ্যায় ২৬ৰ সকলো প্ৰয়োজনাৰ্থে এখন চিভিল ন্যায়ালয় বুলি গণ্য কৰা হব ।

ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ আৰু ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ সদস্য, পদাধিকাৰী ইত্যাদিক লোকসেৱক বুলি গণ্য হব ।

৫১ । ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ বা ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ সকলো সদস্য, পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দক, এই অধিনিয়মৰ উপৰন্ধাৱলীৰ যি কোনোটোৰ অনুসাৰে কৰা কাৰ্য্য বা কাৰ্য্য কৰিবলৈ অৰ্থ কৰা সময়ত ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোক সেৱক বুলি গণ্য কৰা হ'ব ।

১৮৬০ৰ ৪৫ আপীল ।

৫২ । এই অধিনিয়মৰ অধীনত লাভৰ অংশৰ কোনো নিৰ্দ্ধাৰণৰ দ্বাৰা ৰাষ্ট্ৰীয় জৈৱ বিবিধতাৰ প্ৰাধিকৰণ বা ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ কোনো আদেশৰ দ্বাৰা ক্ষোভিত হোৱা কোনো ব্যক্তিয়ে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ বা যথাস্থিতি ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ অৱধাৰণ বা আদেশ তেওঁক দিয়া তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত উচ্চ ন্যায়ালয়লৈ এটা আপীল দাখিল কৰিব পাৰে ঃ

পৰন্তু উচ্চ ন্যায়ালয়ে, যদিহে ই, সন্তুষ্ট হয় যে আপীলকাৰীজন উক্ত অৱধিৰ ভিতৰত আপীল দাখিল কৰাৰ পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈছিল ষাঠি দিনৰ অনধিক এটা অতিৰিক্ত অৱধিৰ ভিতৰত এইটো দাখিল কৰিবলৈ অনুমতি দিব ।

নিৰ্দ্ধাৰণ বা আদেশৰ নিষ্পাদন ।

৫৩ । লাভৰ অংশৰ প্ৰত্যেক নিৰ্দ্ধাৰণ বা এই অধিনিয়মৰ অধীনত ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ বা ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ দ্বাৰা কৰা আদেশ বা ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ বা ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ কোনো নিৰ্দ্ধাৰণ বা আদেশৰ বিৰুদ্ধে কোনো আপীলত উচ্চ ন্যায়ালয়ৰ দ্বাৰা দিয়া আদেশ, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ বা ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ কোনো পদাধিকাৰীৰ দ্বাৰা বা যথাস্থিতি উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কৰ দ্বাৰা জাৰী কৰা এখন প্ৰমাণ পত্ৰৰ ওপৰত, চিভিল ন্যায়াললয়ৰ এটা ডিক্ৰী ৰূপে গণ্য হব আৰু সেই ন্যায়ালয়ৰ এটা ডিক্ৰী ৰূপে একে ৰীতিত নিষ্পাদন যোগ্য হব ।

সজ বিশ্বাসত লোৱা কাৰ্য্যৰ ৰক্ষণ ।

৫৪ । কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰৰ কোনো পদাধিকাৰী বা এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী বা বিনিয়মাৱলীৰ অধীনত সদ্ বিশ্বাসত কৰা বা কৰা বুলি অভিপ্ৰেত হোৱা কোনো কাৰ্য্যৰ বাবে ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ বা ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ কোনো সদস্য, পদাধিকাৰী বা কৰ্মচাৰীবৃন্দৰ বিৰুদ্ধে, কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী নচলিব ।

দণ্ড ।

৫৫ । (১) যিয়েই ধাৰা ৩ বা ধাৰা ৪ বা ধাৰা ৬ৰ উপন্ধাৱলী উলঙ্ঘন কৰে বা উলঙ্ঘন কৰিবলৈ প্ৰয়াস কৰে বা উলঙ্ঘনৰ অপপ্ৰেৰণা দিয়ে, তেওঁ পাঁচ বছৰলৈকে বিস্তৃত হব পৰা এটা অৱধিৰ কাৰাবাসেৰে বা দহ লাখলৈ বিস্তৃত হব পৰা এটা জৰিমনাৰে দণ্ডনীয় হব আৰু যেতিয়া ক্ষতি দহ লাখতকৈ অধিক হয়, এনে জৰিমনা, কাৰিত কৰা ক্ষতি বা উভয়েৰে সমান পৰিমাণৰ হব ।

(২) যিয়েই, ধাৰা ৭ৰ উপবন্ধাবলী বা ধাৰা ২৪ৰ উপ-ধাৰা (২)ৰ অধীনত প্ৰণীত কোনো আদেশ উলঙ্ঘন কৰিবলৈ প্ৰয়াস কৰে বা উলঙ্ঘন কৰিবলৈ অপপ্ৰেৰণা দিয়ে, তেওঁ তিনিবাৰলৈকে বিস্তৃত হব পৰা এটা অৱধিৰ কাৰাবাসেৰে বা পাঁচলাখ টকালৈ বিস্তৃত হব পৰা এটা জৰিমনাৰে বা উভয়েৰে দণ্ডনীয় হব ।

কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ আৰু ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ নিৰ্দ্দেশ বা আদেশৰ উলংঘনৰ বাবে দণ্ড ।

৫৬ । যদিহে কোনো ব্যক্তিয়ে, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণ বা ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডে দিয়া কোনো আদেশ উলঙ্ঘন কৰে যাৰ বাবে এই অধিনিয়মৰ অধীনত কোনো শাস্তি পৃথকভাৱে উপবন্ধিত কৰা হোৱা নাই, তেওঁ একলাখ টকালৈকে বিস্তৃত হব পৰা এটা জৰিমনাৰে বা দ্বিতীয় বা পিছৰ অপৰাধৰ ক্ষেত্ৰত দুই লাখ টকালৈকে বিস্তৃত হব পৰা এটা জৰিমনাৰে আৰু চলি থকা উলঙ্ঘনৰ ক্ষেত্ৰত ক্ৰটী চলি থকা সময়ত প্ৰত্যেক দিনত দুই লাখ টকালৈ বিস্তৃত হব পৰা এটা অতিৰিক্ত জৰিমনাৰে দণ্ডিত হব ।

কোম্পানীৰ দ্বাৰা কৰা অপৰাধ।

৫৭ । (১) য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধ বা উলঙ্ঘন এটা কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয় অপৰাধ বা উলঙ্ঘন সংঘটিত কৰা সময়ত কোম্পানী ৰূপে কোম্পানীৰ ব্যৱসায়ৰ পৰিচালনাৰ বাবে কোম্পানীৰ দায়িত্বত আৰু কোম্পানীলৈ জবাবদিহি হোৱা প্ৰত্যেক ব্যক্তিক অপৰাধ বা উলঙ্ঘনৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহী অগ্ৰসৰ হবলৈ দায়ী হব আৰু তদনুসাৰে দণ্ডিত হব ঃ

পৰন্তু এই উপ-ধাৰাৰ কোনো কথাই এই অধিনিয়মত উপবন্ধিত কোনো ব্যক্তিক কোনো দণ্ডত দায়ী নকৰিব যদিহে তেওঁ প্ৰমাণ কৰে যে এনে অপৰাধ বা উলঙ্ঘনৰ সংঘটন নিবাৰণ কৰিবলৈ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল ।

(২) উপ-ধাৰা (১)ত কোনা কথা থকা স্বত্বেও য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধ বা

উলঙ্ঘন এটা কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয়, আৰু এইটো প্ৰমাণিত হয় যে এনে অপৰাধ বা উলঙ্ঘন কোম্পানীৰ নিৰ্দ্দেশক, পৰিচালক, সচিব বা আন পদাধিকাৰীৰ সম্মতি বা মৌন সম্মতিত কৰা হয় বা তেওঁলোকৰ পক্ষত থকা কোনো অৱহেলাত আৰোপনীয় হয় তেন্তে তেনে নিৰ্দ্দেশক, পৰিচালক, সচিব বা আন পদাধিকাৰীকো অপবাদ বা উলঙ্ঘনৰ বাবে দোষী বুলি গণ্য কৰা হব আৰু ইয়াৰ বিৰুদ্ধে কাৰ্য্যবাহীত অগ্ৰসৰ হবলৈ দায়ী হব আৰু তদনুসাৰে দণ্ডিত হব ।

**স্পষ্টীকৰণ** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে,

(ক) ''কোম্পানী''মানে কোনো ব্যক্তি নিকায় আৰু ই এখন ফাৰ্ম বা ব্যক্তিৰ আন সংস্থাক অন্তৰ্ভুক্ত কৰে ; আৰু

(খ) ফাৰ্ম সম্বন্ধত ''নিৰ্দ্দেশক'' মানে ফাৰ্মত থকা এজন ভাগীদাৰী ।

অপৰাধবোৰ সংজ্ঞেয় আৰু অজামিনযোগ্য হব।

৫৮ । এই অধিনিয়মৰ অধীনত থকা অপৰাধবোৰ সংজ্ঞেয় আৰু অজামিনযোগ্য হব ।

আন অধিনিয়মৰ অতিৰিক্ত হোৱাত এই অধিনিয়মৰ প্ৰভাৱ থাকিব ।

৫৯ । এই অধিনিয়মৰ উপৰন্ধাৱলীখনক বন্য জীৱৰ সম্বন্ধিত তৎসময় বলবৎ কোনো আন বিধিৰ উপৰন্ধাৱলীৰ অতিৰিক্ত হব আৰু অল্পীকৰণত নহব ।

কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যক চৰকাৰক নিৰ্দ্দেশ দিবলৈ ক্ষমতা।

৬০ । কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ যি কোনোটোৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা বিনিয়ম বা আদেশৰ, ৰাজ্যত প্ৰৱৰ্ত্তন কৰাৰ বিষয়ে কোনো ৰাজ্য চৰকাৰক নিৰ্দ্দেশ দিব পাৰে ।

অপৰাধৰ সংজ্ঞান।

৬১ । কোনো ন্যায়ালয়ে, নিম্নলিখিতসমূহৰ দ্বাৰা কৰা এটা অভিযোগৰ ব্যতিৰেকে এই অধিনিয়মৰ অধীনত কোনো অপৰাধৰ সংজ্ঞান নলব--

(ক) কেন্দ্ৰীয় চৰকাৰ বা সেই চৰকাৰৰ দ্বাৰা এই মৰ্ম্মে প্ৰাধিকৃত কৰা কোনো প্ৰাধিকাৰী বা পদাধিকাৰী ; বা

(খ) কোনো হিত দাবীকৰ্ত্তাই যিয়ে কেন্দ্ৰীয় চৰকাৰলৈ বা উপৰোক্ত ৰূপে প্ৰাধিকৃত প্ৰাধিকাৰী বা পদাধিকাৰীলৈ এনে অপৰাধ আৰু তেওঁৰ এটা অভিযোগ কৰাৰ প্ৰয়াস বিহিত প্ৰপত্ৰত ত্ৰিশ দিনৰ অনধিক এটা অৱধিৰ জাননী দিছে ।

কেন্দ্ৰীয় চৰকাৰৰ নিয়ম প্ৰণয়নৰ ক্ষমতা ।

৬২ । (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনা দ্বাৰা এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্য্যকৰী কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকুল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যি কোনোটোৰ বাবে উপৰন্ধ কৰিব পাৰে,অৰ্থাৎ ঃ--

(ক) ধাৰা ৯ৰ অধীনত অধ্যক্ষ আৰু সদস্যসমূহৰ সেৱাৰ চৰ্ত্ত আৰু নিবন্ধন ;

(খ) ধাৰা ১০ ৰ অধীনত অধ্যক্ষজনৰ ক্ষমতা আৰু কৰ্ত্তব্যসমূহ ;

(গ) বৈঠকত ব্যৱসায়ৰ সংব্যৱহাৰ সম্পৰ্কে ধাৰা ১২ৰ উপ-ধাৰা (১) ৰ অধীনৰ প্ৰক্ৰিয়া ;

(ঘ) ধাৰা ১৯ৰ উপ-ধাৰা (১)ৰ অধীনত কেতবোৰ কাৰ্য্যকলাপ গ্ৰহণ কৰাৰ বাবে আবেদনৰ প্ৰপত্ৰ আৰু মাছুল আদায় ;

(ঙ) ধাৰা ১৯ৰ উপ-ধাৰা (২) ৰ অধীনত এখন আবেদন দিয়াৰ প্ৰপত্ৰ আৰু ৰীতি ;

(চ) ধাৰা ২০ৰ উপ-ধাৰা (২)ৰ অধীনত জৈৱ সম্পদা বা জ্ঞানৰ অন্তৰণৰ বাবে আবেদনৰ প্ৰপত্ৰ আৰু ৰীতি ;

(ছ) ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰা প্ৰপত্ৰ আৰু প্ৰত্যেক বিত্তীয় বৰ্ষৰ সময় আৰু ইয়াৰ ওপৰত হিচাপ পৰীক্ষকৰ প্ৰতিবেদন সহ একেলগে হিচাপৰ এটা হিচাপ পৰীক্ষা কৰা প্ৰতিলিপি ধাৰা ২৮ৰ অধীনত প্ৰদান কৰা তাৰিখ ;

(জ) ধাৰা ২৯ৰ উপ-ধাৰা (১)ৰ অধীনত প্ৰস্তুত কৰিব লগীয়া হিচাপৰ বাৰ্ষিক বিৱৰণীৰ প্ৰপত্ৰ ;

(ঝ) ধাৰা ৫০ৰ অধীনত আপীল কৰা, এটা আপীলৰ নিষ্পত্তিকৰণৰ প্ৰক্ৰিয়া আৰু ন্যায় নিৰ্ণয়ৰ প্ৰক্ৰিয়াৰ

সময় আৰু প্ৰপত্ৰ ;

(ঞ) এটা অতিৰিক্ত বিষয় য'ত ৰাষ্ট্ৰীয়জৈৱ বিবিধতা প্ৰাধিকৰণে ধাৰা ৫০ৰ উপ-ধাৰা (৬)ৰ খণ্ড (জ) ৰ অধীনত চিভিল ন্যায়ালয়ৰ ক্ষমতাৱলী কাৰ্য্যকৰী কৰিব পাৰে ;

(ট) ধাৰা ৬১ৰ খণ্ড (খ)ৰ অধীনত জাননী দিয়াৰ ৰীতি ;

(ঠ) বিহিত কৰিবলগীয়া বা কৰা কোনো আন বিষয় বা যিটোৰ ক্ষেত্ৰত নিয়মাৱলীৰ দ্বাৰা প্ৰণয়ন কৰিবলগীয়া উপবন্ধ ।

৩। এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম আৰু এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক বিনিয়ম ইয়াক প্ৰণয়ন কাৰাৰ পিছত যথাশীঘ্ৰে অধিবেশন চলি থকা সময়ত এখন বা দুখন বা ক্ৰমাগত অধিবেশনেৰে গঠিত হব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনৰ সম্মুখত উত্থাপন কৰিব লাগিব, আৰু যদিহে অধিবেশনৰ অব্যৱহিত পৰৱৰ্ত্তী অধিবেশন বা অধিবেশন সমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে নিয়মত বা বিনিয়মত কোনো সালসলনি কৰিববলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম বা বিনিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিছত নিয়ম বা বিনিয়ম ক্ষেত্ৰবিশেষে এনে সালসলনি আকাৰত প্ৰভাৱী হব বা একেবাৰে প্ৰভাৱহীন হব ; সেয়ে হলেও এনে সালসলনি বা ৰদকৰণে সেই নিয়ম বা বিনিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হব ।

ৰাজ্য চৰকাৰৰ নিয়ম প্ৰণয়ণৰ ক্ষমতা ।

৬৩। (১) ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনা দি এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্য্যকৰী কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যি কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ২৩ৰ খণ্ড (গ) ৰ অধীনত ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ দ্বাৰা সম্পাদিত কৰিবলগীয়া আন কৃত্যসমূহ ;

(খ) ধাৰা ২৪ৰ উপ-ধাৰা (১)ৰ অধীনত দিবলগীয়া পূৰ্ব জাননীৰ প্ৰপত্ৰ ;

(গ) ধাৰা ৩৩ৰ অধীনত প্ৰস্তুত কৰিবলগীয়া বাৰ্ষিক প্ৰতিবেদনৰ প্ৰপত্ৰ আৰু প্ৰত্যেক বিত্তীয় বৰ্ষৰ সময় ;

(ঘ) ৰাজ্যিক জৈৱ বিবিধতা বোৰ্ডৰ হিচাপ পৰিচালনা আৰু হিচাপ পৰীক্ষা কৰাৰ ৰীতি আৰু তাৰিখ যিটোৰ আগতে আৰু ইয়াৰ ওপৰত হিচাপ পৰীক্ষকৰ প্ৰতিবেদনসহ একেলগে হিচাপৰ এটা হিচাপ পৰীক্ষাৰ প্ৰতিলিপি ধাৰা ৩৪ৰ অধীনত দিয়া হব ;

(ঙ) ধাৰা ৩৭ ৰ অধীনত ৰাষ্ট্ৰীয় পৰম্পৰা স্থলৰ পৰিচালনা আৰু অধিৰক্ষণ ;

(চ) স্থানীয় জৈৱ বিবিধতা নিধিৰ পৰিচালনা আৰু অভিৰক্ষণৰ ৰীতি আৰু উদ্দেশ্যবোৰ যিবোৰৰ বাবে এনে নিধি ধাৰা ৪৪ৰ উপধাৰা (১) ৰ অধীনত প্ৰয়োগ কৰা হব ;

(ছ) বাৰ্ষিক প্ৰতিবেদনৰ প্ৰপত্ৰ আৰু সময় যি সময়ত ধাৰা ৪৫ৰ অধীনত প্ৰত্যেক বিত্তীয় বৰ্ষত এনে প্ৰতিবেদন প্ৰস্তুত কৰা হব ;

(জ) স্থানীয় জৈৱ বিবিধতা নিধিৰ হিচাপৰ পৰিচালনা আৰু হিচাপ পৰীক্ষাৰ ৰীতি আৰু তাৰিখ যিটোৰ আগতে ইয়াৰ ওপৰত হিচাপ পৰীক্ষকৰ প্ৰতিবেদনসহ একেলগে হিচাপৰ এটা হিচাপ পৰীক্ষা কৰা প্ৰতিলিপি ধাৰা ৪৬ৰ অধীনত দিয়া হব ;

(ঝ) আন কোনো বিষয় যিটো বিনিৰ্দ্দিষ্ট হব বা হব পাৰে ।

(৩) এই ধাৰাৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পাচত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলৰ প্ৰত্যেক সদনত য'ত ই দুখন সদনেৰে গঠিত, বা য'ত এনে বিধান মণ্ডল এখন সদনেৰে গঠিত সেই সদনত উত্থাপিত কৰা হব ।

নিয়মাৱলী প্ৰণয়ণৰ ক্ষমতা

৬৪। ৰাষ্ট্ৰীয় জৈৱ বিবিধতা প্ৰাধিকৰণে, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদনসহ চৰকাৰী ৰাজপত্ৰত অধিসূচনা দ্বাৰা এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্য্যকৰী কৰাৰ বাবে বিনিয়মাৱলী প্ৰণয়ন কৰিব ।

# জৈৱ বিবিধতা অধিনিয়ম, ২০০২

জটিলতা দূৰীকৰণৰ ক্ষমতা। ৬৫। (১) এই অধিনিয়মৰ উপবন্ধাৱলী প্ৰভাৱী কৰোতে যদিহে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে, আদেশৰ দ্বাৰা, এই অধিনিয়মৰ উপৱন্ধাৱলীৰ অসঙ্গত নোহোৱাকৈ, জটিলতা দুৰীকৰণ কৰিব পাৰে ঃ

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা দুবছৰৰ এটা অৱধিৰ অৱসানৰ পিছত কোনো আদেশ কৰা নহব ।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ ইয়াক প্ৰণীত কৰাৰ পিছত যথাশীঘ্ৰে, সংসদৰ প্ৰত্যেক সদনৰ আগত উত্থাপিত কৰা হব ।

০০০০০০০